# অধ্যায় ২ ঃ কুমাৰসম্ভৱম্ তৃতীয়সর্গৰ শ্লোক (১-২০) পাঠ্যাংশৰ আলোচনা

## অধ্যায় গাঁথনি


২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ তৃতীয়সর্গৰ সাৰাংশ

২.৪ তৃতীয়সর্গৰ নামকৰণৰ তাৎপর্য

২.৫ তৃতীয়সর্গৰ শ্লোকসমূহৰ (১-২০) সংস্কৃত পাঠ

- ২.৫.১ শ্লোকসমূহৰ গদ্যপাঠ
- ২.৫.২ শ্লোকসমূহৰ শব্দার্থ
- ২.৫.৩ শ্লোকসমূহৰ অনুবাদ
- ২.৫.৪ ব্যাকৰণগত টোকা

২.৬ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ বিষয়বস্তু

২.৭ তৃতীয়সর্গৰ কেইটামান শ্লোকৰ ব্যাখ্যা (১-২০) ৰ ভিতৰৰ

২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৯ অধিক জানিবলৈ

২.১০ অগ্রগতিৰ খতিয়ান

২.১১ আৰ্হি প্রশ্ন


## ২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- কুমাৰসম্ভৱম্ মহাকাব্যৰ তৃতীয়সর্গৰ বিষয়বস্তু জানিব পাৰিব
- মহাকাব্যখনৰ তৃতীয়সর্গৰ নামকৰণৰ তাৎপর্য জানিব পাৰিব
- শ্লোকসমূহৰ সংস্কৃত পাঠ, ভাঙনি আৰু অসমীয়া অনুবাদ জানিব পাৰিব
- (১-২০) শ্লোকৰ ভিতৰৰ কেইটামান শ্লোকৰ ব্যাখ্যাৰ বিষয়ে জ্ঞান লাভ কৰিব
- (১-২০) শ্লোকৰ গদ্যপাঠ, শ্লোকসমূহৰ অনুবাদ আৰু কিছুমান শব্দৰ ব্যাকৰণগত ব্যুৎপত্তিও লাভ কৰিব পাৰিব।

## ২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আপুনি মহাকবি কালিদাসৰ জীৱনৰ সংক্ষিপ্ত বিৱৰণ আৰু তেওঁৰ বিৰচিত ৰচনাৰাজিৰ ভিতৰত কুমাৰসম্ভৱ মহাকাব্যৰ বিষয়বস্তু, মহাকাব্যৰ সংজ্ঞা, উৎস,

কুমাৰসম্ভৱৰ চৰিত্ৰ চিত্ৰণ আদি বৰ্ণনা পঢ়িছে। কুমাৰসম্ভৱম্ মহাকাব্যখন সোতৰটা (১৭) সর্গত ৰচিত। এই মহাকাব্য পঞ্চম মহাকাব্যৰ অন্তর্গত। তাৰে আঠটা সর্গ কালিদাসৰ ৰচনা, বাকী নটা সর্গ তেওঁৰ দ্বাৰা ৰচিত নহয় বুলি পণ্ডিতসকলে মতপোষণ কৰে। সেই কাৰণে টীকাকাৰ মল্লিনাথ আৰু অৰুণগিৰিয়ে কালিদাসৰ ৰচিত প্ৰথম আঠটা সর্গৰ টীকা (Commentary) ৰচনা কৰিছে। এই অধ্যায়টি পঢ়ি আপুনি দেৱৰাজ ইন্দ্রই তাৰকাসুৰক বধ কৰিবৰ কাৰণে কি উপায় অৱলম্বন কৰিব পাৰি তাকেই আলোচনা কৰিবৰ বাবে কামদেৱক আহ্বান জনায়। ইন্দ্রই পার্বতীৰ প্ৰতি সমাধিস্থ মহাদেৱক আকর্ষিত কৰিবলৈ কামদেৱক কেনেদৰে আদেশ দিছিল সেইবিষয়েও জানিব পাৰিব। কামদেৱে সখা বসন্তক লগত লৈ যাব বুলি দেৱৰাজক জনাইছিল ইন্দ্রৰ বজ্ৰক বিশ্ৰাম ল'বলৈ কৈ কেনেদৰে শিৱৰ সমাধি স্থানত উপস্থিত হ'ল এই বিষয়ে অৱগত হ'ব। ইয়াৰো পৰি আপুনি তৃতীয়সর্গৰ বিষয়বস্তু, শ্লোকসমূহৰ (১-২০) সংস্কৃত পাঠ, গদ্যপাঠ, শব্দাৰ্থ, অনুবাদ, ব্যাখ্যা আদি বিভিন্ন বিষয় এই অধ্যায়টি অধ্যয়ন কৰি জানিব পাৰিব।

## ২.৩ তৃতীয়সর্গৰ সাৰাংশ

এতিয়া আপুনি কুমাৰসম্ভৱ মহাকাব্যৰ তৃতীয়সর্গৰ সাৰাংশ জানিব পাৰিব। এসময়ত দেৱতাসকল প্ৰবল-প্ৰতাপী শত্ৰুৰ অর্থাৎ তাৰকাসুৰৰ উপদ্ৰৱত ভীত-সন্ত্ৰস্ত হৈ পৰিছিল। দেৱতাসকলে জয়লাভৰ বাবে শিৱৰ ঔৰষজাত এজন সেনানায়ক পাবলৈ বাঞ্ছা কৰিছিল। শিৱ আৰু পার্বতীৰ পুত্ৰইহে তাৰকাসুৰক বধ কৰিব পাৰিব বুলি প্ৰজাপতি ব্ৰহ্মাই কৈছিল। কিন্তু সেই সময়ত দেৱাদিদেৱ মহাদেৱ গভীৰ তপস্যাত নিমগ্ন আছিল। সমাধিস্থ মহাদেৱৰ তপস্যা ভংগ কৰি পার্বতীৰ লগত মিলন ঘটাব পাৰিলেহে দেৱতাসকলৰ ইপ্সিত সেনাপতি লাভ সম্ভৱ হ'ব। সেই কামৰ বাবে দেৱৰাজ ইন্দ্রই প্ৰেমৰ দেৱতা কামদেৱক উপযুক্ত বুলি বিবেচনা কৰিলে আৰু সেয়েহে ইন্দ্রই এখন বিশেষ সভা আহ্বান কৰিলে। উক্ত সভাত অন্যান্য দেৱতাসকলৰ মাজতে কামদেৱেও আহি আসন গ্ৰহণ কৰিলে। পূর্বতে ইন্দ্রই কোনো কামৰ বাবে প্ৰয়োজন অনুভৱ নকৰা কামদেৱৰ প্ৰতি সেইদিনা কিন্তু তেওঁৰ সমগ্ৰ মনোযোগ অন্যান্য দেৱতাসকলক উপেক্ষা কৰি কামদেৱৰ ওপৰতেই ন্যস্ত কৰিছিল। আনকি তেওঁৰ আসনৰ পৰা মাতি আনি নিজৰ আসনৰ কাষতেই বহুৱাইছিল।

এনে অপ্ৰত্যাশিত অনুগ্ৰহত কামদেৱ অত্যন্ত আহ্লাদিত হৈছিল। ইন্দ্রৰ বাবে নিজৰ জীৱনৰ বিনিময়ত হ'লেও যিকোনো কাম কৰাৰ প্ৰতিশ্ৰুতি জনাই কামদেৱে ইন্দ্রই কোনো প্ৰশ্ন কৰাৰ আগতেই তাৰ উপায়সমূহো জনাইছিল। প্ৰচণ্ড শত্ৰুৰ সন্মুখীন হৈ যদি ইন্দ্র বিপদত পৰিছে তেন্তে সেই শত্ৰুক নাশ কৰি বিমূঢ় ইন্দ্রক চিন্তামুক্ত কৰাৰ প্ৰতিশ্ৰুতি দিছিল। প্ৰেমৰ সম্পর্ক থকা বিষয়ত যদি ইন্দ্র ব্যথিত হৈছে তাৰ পৰাও তেওঁক হেলাৰঙে অব্যাহতি দিয়াৰ কথা ভাবিছে। আনকি ইন্দ্রৰ বজ্ৰক জিৰণি লোৱাৰ উপদেশ দি কামদেৱকেই বজ্ৰৰ সলনি ব্যৱহাৰ কৰাৰ বাবে আবেদন জনাইছে। দেৱতাসকলৰ অতিশয় প্ৰয়োজনীয় বিষয়টোৰ ওপৰত কামদেৱে নিজৰ শক্তি প্ৰকাশ কৰাত দেৱৰাজ ইন্দ্র অতিশয় আনন্দিত হয়। কাৰণ প্ৰচণ্ড শত্ৰুৰ সন্মুখীন হোৱা

দেৱতাসকলৰ বাবে দেৱসেনাপতি সৃষ্টি কৰিব লাগে। সেই সময়ত আটাইতকৈ প্ৰয়োজনীয় বিষয়টো আছিল মহাদেৱৰ তপস্যা ভঙ্গ কৰি তেওঁক পাৰ্বতীৰ প্ৰতি আকৃষ্ট কৰা। ইন্দ্ৰই এই কামৰ বাবে কামদেৱকেই উপযুক্ত বুলি বিবেচনা কৰি তেওঁকেই এই গুৰুত্বপূৰ্ণ কামত নিযুক্ত কৰিবলৈ বিচাৰিছে। কামদেৱৰ কাণৰ গতি শিৱৰ বিৰুদ্ধেও আছে। যজ্ঞাংশভোজী দেৱতাসকল প্ৰৱল শত্ৰুৰ সন্মুখীন হৈছিল। দেৱতাসকলে জয়লাভৰ বাবে শিৱৰ ঔৰষজাত সেনানায়ক পাবলৈ ইচ্ছা কৰিছিল। কিন্তু পৰমাত্মাৰ ধ্যানত নিবিষ্ট হৈ থকা সেই মন্ত্ৰনিধি মহাদেৱক একমাত্ৰ কামদেৱৰ বাণেহে বশীভূত কৰিব পাৰে। একান্ত সমাধিস্থ সংযত সেই মহাদেৱক হিমালয়ৰ কন্যা পাৰ্বতীৰ প্ৰতি প্ৰীতিযুক্ত কৰিবলৈ চেষ্টা কৰিব লাগে। কাৰণ, স্ত্ৰীসকলৰ ভিতৰত শিৱবীৰ্য ধাৰণ কৰাৰ ক্ষমতা তেওঁৰেই আছে বুলি প্ৰজাপতি ব্ৰহ্মাই কৈছে। সেই হিমালয়ৰ কন্যা পাৰ্বতীয়েও পিতৃৰ অনুমতি লৈ হিমালয়ৰ  ঊৰ্দ্ধভূমিত মহাদেৱক শুশ্ৰূষা কৰিছে। সেই কথা অপ্সৰাসকলৰ পৰা জানিব পৰা গৈছে। কাৰণ, অপ্সৰাসকল হৈছে দেৱতাসকলৰ গুপ্তচৰ। সেই কাৰণে দেৱকাৰ্য সিদ্ধিৰ বাবে কামদেৱক যাবলৈ ক'লে। যিদৰে বীজে অঙ্কুৰিত হ'বলৈ প্ৰথমে পানীৰ অপেক্ষা কৰে, ঠিক তেনেদৰে এই কাৰ্যসাধনতো দেৱতাসকলে কামদেৱকে অপেক্ষা কৰি আছে, কাৰণ এই কাম হিংস্ৰও নহয়।

ইয়াৰ পিছতে কামদেৱে পত্নী ৰতি আৰু সখা বসন্তক লগত লৈ নিজৰ প্ৰাণৰ বিনিময়তো দেৱকাৰ্য সিদ্ধিৰ দৃঢ় লক্ষ্যেৰে হিমালয়স্থ শিৱৰ আশ্ৰমত উপস্থিত হয়। বসন্ত ঋতু সেই আশ্ৰমত বিৰাজিত হ'ল। অকাল বসন্তৰ আৱিৰ্ভাৱৰ লগে লগে আশ্ৰমৰ প্ৰাকৃতিক বাতাবৰণত আকস্মিক পৰিৱৰ্তনে দেখা দিলে। আশ্ৰমৰ গছ-লতাসমূহ নতুন ৰূপত সজ্জিত হ'বলৈ আৰম্ভ কৰিলে। আনকি সৌৰজগতৰ গ্ৰহ-নক্ষত্ৰৰ গতিতো আকস্মিক পৰিৱৰ্তনে দেখা দিলে। সূৰ্য দক্ষিণায়নৰ পৰা উত্তৰায়ণলৈ গতি কৰিলে। আমগছসমূহ কুঁহিপাত আৰু ফুলেৰে সুশোভিত হৈ উঠিল আৰু তাৰেই সুবাসত আকৃষ্ট হৈ মৌ-পিপাসু কলা ভোমোৰাবোৰ চাৰিওফালে গুণগুণাই ফুৰিবলৈ আৰম্ভ কৰিলে। এনে অনুমান হ'ল যেন কামদেৱৰ নাম অংকন কৰিবলৈহে ভোমোৰা বিলাকক বসন্তই প্ৰেৰণ কৰিলে। অকালবসন্তৰ আৱিৰ্ভাৱে জীৱ জগততো প্ৰভাৱ বিস্তাৰ কৰিলে। বসন্তৰ বা লাগি মৃগকুল মতলীয়া হৈ পৰিল। বতাহৰ প্ৰতিকূলে শুকান পাতৰ ওপৰেদি দৌৰিবলৈ ধৰিলে। নতুন আম্ৰমুকুল ভক্ষণ কৰি কুলি চৰাইবিলাকে সুমধুৰ ধ্বনি কৰিলে সিহঁতৰ মাতত অভিমানী নাৰীসকলৰো মান ভঙ্গ হ'ল। এনে প্ৰাকৃতিক বাতাবৰণৰ আকস্মিক পৰিৱৰ্তনে আনকি শিৱৰ আশ্ৰমৰ সমাধিস্থ ঋষিসকলৰো চিত্ত বিচলিত কৰাৰ উপক্ৰম কৰিলে। অতি কষ্টেৰেহে তেওঁলোকে বিকৃত প্ৰায় মনক সংযত কৰিলে। বসন্ত ঋতু শিৱৰ আশ্ৰমত প্ৰৱেশ কৰাৰ লগে লগে তাত থকা দম্পতীসকল প্ৰেমৰস যুক্ত হৈ পৰিল। ভ্ৰমৰ বিলাকে নিজ প্ৰিয়াক অনুসৰণ কৰি একেটা পাত্ৰতে মৌ পান কৰিবলৈ ধৰিলে। কৃষ্ণমৃগই মৃগীজনীক শিঙেৰে খজুৰাই অন্তৰৰ মৰম যাচিলে। চক্ৰবাক চৰায়েও অৰ্দ্ধভক্ষিত মৃণালখণ্ড নিজৰ প্ৰিয়তমা পত্নীৰ সৈতে খাবলৈ ধৰিলে। এনেদৰে অকাল বসন্তৰ প্ৰভাৱত শান্ত সমাহিত শিৱৰ আশ্ৰম মুখৰিত হৈ উঠিল। এনে পৰিৱেশত কামদেৱ শিৱৰ আশ্ৰমত উপস্থিত হ'ল আৰু তপস্যাৰত মহাদেৱৰ ভয়ংকৰ মূৰ্ত্তি দৰ্শন কৰি

কামদেৱ কিংকর্তব্যবিমূঢ় হৈ পৰিল। সেই সময়তেই মহাদেৱৰ শুশ্রূষা কার্যত ব্রতী থকা পার্বতীক কামদেৱে দেখা পালে আৰু পার্বতীৰ অপৰূপ সৌন্দর্যক ইন্ধন হিচাবে লৈ তেওঁ মহাদেৱৰ তপস্যা ভংগ কৰিবলৈ চিন্তা কৰিলে। পৰমাত্মাৰ চিন্তাত নিমগ্ন হৈ থকা মহাদেৱৰ তপস্যা সমাপ্ত হৈছিল। সেই সময়তে কামদেৱে কামবাণ নিক্ষেপ কৰিলে। মহাদেৱে হঠাতে আকস্মিক শিহৰণ অনুভৱ কৰিলে। তেওঁ চকুমেলি চাৰিওফালে লক্ষ্য কৰি কামদেৱক দেখা পালে আৰু ধৈর্য্যচ্যুতিৰ কাৰণ তেওঁৱেই বুজি জানিব পাৰি ক্রোধিত হৈ পৰিল। লগে লগে কপালত থকা তৃতীয় নেত্রেৰে কামদেৱক ভস্মীভূত কৰিলে। কামদেৱৰ পত্নী ৰতিদেৱীয়ে এনে দুর্ঘটনা সহ্য কৰিব নোৱাৰি মূর্চ্ছা গ'ল। পার্বতীয়েও কেতিয়াও চিন্তা নকৰা এনে আকস্মিক দুর্ঘটনা দেখি স্থিৰেৰে থাকিব নোৱাৰিলে, তেনে পার্বতীক পিতৃ হিমালয়ে আতৰাই নিয়ে। ইয়াতেই 'কুমাৰসম্ভৱম্' মহাকাব্যৰ 'কামদহন' নামৰ তৃতীয় সর্গৰ অন্ত পৰে।

## ২.৪ তৃতীয়সর্গৰ নামকৰণৰ তাৎপর্য

তৃতীয়সর্গৰ সাৰাংশ অধ্যয়ন কৰা পাছত আপুনি এতিয়া সর্গটিৰ নামকৰণৰ তাৎপর্যৰ বিষয়ে জানিব পাৰিব।

কুমাৰসম্ভৱ মহাকাব্যৰ প্রতিটো সর্গৰ নাম সর্গত বর্ণিত বিষয়বস্তুৰ আধাৰত নির্বাচিত হৈছে। প্রসংগক্রমে ক'ব পাৰি যে মহাকাব্যৰ সর্গবোৰৰ নাম সর্গত বর্ণিত বিষয়বস্তুৰ পৰিপ্রেক্ষিতত নির্ণয় কৰিব লাগে। **'সর্গোপাদেয় কথয়া সর্গনাম্ তু।'** অর্থাৎ সর্গত আলোচিত বিষয়বস্তুৰ আধাৰতে সর্গৰ নাম ৰখা হয়। সেয়েহে মহাকবি কালিদাসেও তৃতীয় সর্গৰ নাম **'মদনদহন'** ৰাখিছে।

তৃতীয়সর্গত দেৱৰাজ ইন্দ্রই কামদেৱক বা মদনক তপস্যাৰত মহাদেৱৰ তপস্যা ভঙ্গ কৰি গিৰিৰাজ হিমালয়ৰ কন্যা পার্বতীৰ প্রতি মহাদেৱক আকৃষ্ট কৰি উভয়ৰ মাজত মিলন ঘটাবলৈ নির্দেশ দিছিল। ইন্দ্রৰ নির্দেশানুসৰি বসন্তক সহায় হিচাবে লৈ লগতে পত্নী ৰতিকো লগত লৈ কামদেৱ মহাদেৱৰ তপস্যা স্থানত উপস্থিত হ'ল। মহাদেৱৰ সমাধিস্থানত অকালবসন্তৰ আৰির্ভাৱ কৰিলে। তাতে তপস্যাৰত মহাদেৱৰ ভয়ংকৰ মূর্ত্তিদর্শন কৰি কামদেৱ কিংকর্তব্য বিমূঢ় হৈ পৰিল। এই সময়তেই মহাদেৱৰ শুশ্রূষা কার্যত ব্রতী থকা পার্বতীক কামদেৱে দেখা পালে আৰু পার্বতীৰ অপৰূপ সৌন্দর্যক ইন্ধন হিচাবে লৈ পুষ্পবাণ মহাদেৱলৈ নিক্ষেপ কৰিলে। পৰমাত্মাৰ চিন্তাত নিমগ্ন হৈ থকা মহাদেৱৰ তপস্যা প্রায় সমাপ্ত হৈছিল। মহাদেৱে নিজ আত্মাক পৰমাত্মাত বিলীন কৰি দি অন্তৰত সেই পৰমজ্যোতি দর্শন কৰিছিল। সেই মুহূর্ততে তেওঁ অন্তৰত এক আকস্মিক শিহৰণ অনুভৱ কৰিলে যে নিশ্চয় বাহিৰৰ কোনো অশুভ শক্তিয়ে তেওঁৰ অন্তৰ বিচলিত কৰিছে। চকুমেলি চাৰিওফালে চাই তেওঁ কামদেৱক দেখা পালে। মহাদেৱৰ চিত্র ভ্রষ্ট কৰাত আনৰ হস্তক্ষেপ তেওঁৰ বাবে অসহনীয় আছিল। কামদেৱেই যে তেওঁৰ ধৈর্য্যচ্যুতিৰ হেতু সেয়া মহাদেৱে জানিব পাৰিলে। সেইবাবে অতিশয় ক্রোধিত হৈ পৰা মহাদেৱৰ তৃতীয় নেত্রৰ পৰা ওলোৱা জ্যোতিয়ে মদনক ভস্মীভূত কৰিলে। সেয়েহে এই সর্গটিৰ নাম 'মদনদহন' যথোপযুক্ত হৈছে।



**অগ্রগতি নিৰীক্ষণ**

প্রশ্ন নং ১ঃ কুমাৰসম্ভৱৰ তৃতীয়সর্গত ইন্দ্রৰ সহস্র চকু কিয় কামদেৱৰ ওপৰত পৰিছিল?

.....

প্রশ্ন নং ২ঃ মদনে শিৱৰ আশ্রমলৈ যাওঁতে লগত কাক কাক নিছিল?

.....

প্রশ্ন নং ৩ঃ শিৱৰ আশ্রমত অকাল বসন্তৰ প্রভাৱ পশু-পক্ষীৰ ওপৰত কেনেদৰে পৰিছিল?

.....

প্রশ্ন নং ৪ঃ শিৱৰ তৃতীয় নেত্রেৰে মদনক ভস্ম কৰোঁতে ৰতিৰ কি অৱস্থা হৈছিল?

.....

প্রশ্ন নং ৫ঃ পার্বতীয়ে শিৱৰ সমাধিস্থানত কি কৰিছিল?

.....

## ২.৫ তৃতীয়সর্গৰ শ্লোকসমূহৰ সংস্কৃত পাঠ (১-২০ লৈ)

এতিয়া আপুনি কুমাৰসম্ভৱ মহাকাব্যৰ তৃতীয়সর্গৰ শ্লোসমূহৰ (১-২০) সংস্কৃত পাঠ পঢ়িবলৈ পাব। শ্লোকসমূহ তলত উল্লেখ কৰা হ'ল—

তস্মিন্ মঘোনস্ত্রিদশান্ বিহায় সহস্রমক্ষ্ণাং যুগপৎ পপাত।
প্রয়োজনাপেক্ষিতয়া প্রভুণাং প্রায়শ্চলং গৌৰৱমাশ্রিতেষু ।। ১।।
স **বাসবেনাসনসন্নিকৃষ্টমিতো** নিষীদেতি বিসৃষ্টভূমিঃ।
ভর্ত্তুঃ প্রসাদং প্রতিনন্দ্য মূর্ধ্না বক্তুং মিথঃ প্রাক্রমতৈন-মেবম্ ।। ২।।
আক্ষাপয় জ্ঞাতবিশেষ! পুংসাং লোকেষু যত্তে কৰণীয়মস্তি।
অনুগ্রহং সংস্মৰণপ্রবৃত্তমিচ্ছামি সংবর্দ্ধিতমাজ্ঞয়াতে ।। ৩।।
কেনাভ্যসূয়া পদকাঙ্ক্ষিণা তে নিতান্তদীর্ঘৈজনিতা তপোভিঃ।
**য়াবদ্ভৱত্যাহিতসায়কস্য** মৎকার্মুকস্যাস্য নিদেশবর্ত্তী ।। ৪।।
অসম্মতঃ কস্তৱ মুক্তিমার্গং পুনর্ভৱক্লেশভয়াৎ প্রপন্নঃ।
বদ্ধশ্চিৰং তিষ্ঠতু সুন্দৰীণামাৰেচিতভ্রু চতুৰৈঃ কটাক্ষৈঃ ।। ৫।।
অধ্যাপিতস্যোশনসাপি নীতিং প্রযুক্তৰাগপ্রণিধির্দ্বিষত্তে।
কস্যার্থধর্মৌ বদ পীড়য়ামি **সিন্ধোস্তটাবোঘ** ইৱ প্রবুদ্ধঃ।। ৬।।
কামেক পত্নীব্রতদুঃখশীলাং লোলং মনশ্চাৰুতয়া প্রবিষ্টাম্।
নিতম্বিনীমিচ্ছসি মুক্তলজ্জাং কণ্ঠে স্বয়ংগ্রাহনিষক্তবাহুম্ ।। ৭।।
কয়াসি কামিন্! সুৰতাপৰাধাৎ পাদানতঃ কোপনয়াহৱধূতঃ।
তস্যাঃ কৰিষ্যামি দৃঢ়ানুতাপং প্রবালশয্যাশৰণং শৰীৰম্ ।। ৮।।


বাসবেন+আসন+সন্নিকৃষ্টম্+ইতঃ


যাবত্+ভৱতি+আহিতসায়কস্য


সিন্ধোঃ+তটৌ+ইব+ওঘঃ

প্রসীদ বিশ্রাম্যতু বীৰ! বজ্রং শৈৰৈর্মদীয়ৈঃ কতমঃ সুৰাৰিঃ।
বিভেতু মোঘীকৃতবাহুবীর্যঃ স্ত্রীভ্যোহপি কোপস্ফুৰিতাধৰাভ্যঃ ।। ৯।।
তৰ প্রসাদাত্ কুসুমায়ুধোহপি সহায়মেকং মধুমেৰ লব্ধা।
কুর্য্যাং হৰস্যাপি পিনাকপাণেৰ্ধৈর্য্যচ্যুতিংকে মম ধন্বিনোহন্যে ।। ১০।।
অথোৰুদেশাদৰতার্য্য পাদমাক্রান্তিসম্ভাৰিতপাদপীঠম্।
সঙ্কল্পিতার্থে বিবৃতাত্মশক্তিমাখণ্ডলঃ কামমিদং বভাষে ।। ১১।।
সর্বংসখে! **তয়্যুপপন্নমেতদুভে** মমাস্ত্রে কুলিশং ভৰাংশ্চ।
বজ্রং তপোবীর্যমহত্সু কুণ্ঠং ত্বংসর্বতোগামিচ সাধকঞ্চ ।। ১২।।
অবৈমি তে সাৰমতঃ খলু ত্বাং কার্য্যে গুৰুন্যাত্মসমং নিয়োক্ষ্যে।
ব্যাদিশ্যতে ভূধৰতামবেক্ষ্য কৃষ্ণেন দেহোদ্বহনায় শেষঃ ।। ১৩।।
আশংসতা বাণগতিং বৃষাঙ্কে কার্য্যে ত্বয়া নঃ প্রতিপন্নকল্পম্।
নিবোধ **যজ্ঞাংশভুজামিদানীমুচ্চৈদ্বিষামীপ্সিতমেতদেৰ** ।। ১৪।।
অমী হি বীর্য্যপ্রভৰং ভৰস্য জয়ায় সেনান্যমুশন্তি দেৱাঃ।
স চ ত্বদেকেষুনিপাতসাধ্যো ব্রহ্মাঙ্গভূর্ব্রহ্মণি যোজিতাত্মা ।। ১৫।।
তস্মৈ হিমাদ্রেঃ প্রয়তাং তনুজাং মতাত্মনে ৰোচয়িতুংয়তস্ব।
য়োষিৎসু তদ্বীর্যনিষেকভূমিঃ সৈৰ **ক্ষমেত্যাত্তমভুবোপদিষ্টম্** ।। ১৬।।
গুৰোর্নিয়োগাচ্চ নগেন্দ্র কন্যা স্থানুং তপস্যন্তমধিত্যকায়াম্।
অন্বাস্ত ইত্যপ্সৰসাং মুখেভ্যঃ শ্রুতংময়া মৎপ্রণিধিঃ স বর্গঃ ।। ১৭।।
তদ্গচ্ছ সিদ্ধ্যৈ কুরু দেৱকার্যমর্থোহয়মর্থান্তৰভাব্য এৰ।
অপেক্ষতে প্রত্যয়মুত্তমং ত্বাং বীজাঙ্কুৰঃ প্রাগুদয়াদিবাম্ভঃ ।। ১৮।।
তস্মিন্ সুৰানাং বিজয়াভ্যুপায়ে তৱৈৰ কামাস্ত্রগতিঃ কৃতীত্বম্।
অপিপ্রসিদ্ধং য়শসে হি পুংসামনন্যসাধাৰণমেৰ কর্ম ।। ১৯।।
সুৰাঃ সমভ্যর্থয়িতাৰ এতে কার্যংত্রয়ানামপি ৰিষ্টপানাম্।
চাপেন তে কর্ম ন চাতিহিংস্রমহো বতাসি স্পৃহনীয়বীর্যঃ ।। ২০।।



ত্বয়ি+উপপন্নম্+এতদ্+উভে



যজ্ঞাংশভুজম্+ইদানীম্+
উচ্চৈদ্বিষাম্+ইপ্সিতম্+এতত্+এৰ।

ক্ষমা+ইতি +আত্মভুবা+উপদিষ্টম্

## ২.৫.১ শ্লোকসমূহৰ গদ্যপাঠ (১-২০)

১) মঘোনঃ অক্ষ্ণাম্ সহস্রং ত্রিদশান্ বিহায় (পৰিত্যজ্য)
তস্মিন (কামদেৱে) যুগপত্ পপাতঃ, প্রায়ঃ প্রভুণাম্
আশ্রিতেষুগৌৰৱং প্রয়োজনাপেক্ষিতয়াচলং (ভৰতি) ।। ১।।

২) স বাসবেন আসন্নসন্নিকৃষ্টম্ ইতঃ নিষীদ ইতি বিসৃষ্টভূমিঃ (সন্) ভর্ত্তুঃ প্রসাদং
মূর্ধ্না প্রতিনন্দ্য মিথঃ এনং এবং বক্তুম্ প্রাক্রমত্ ।। ২।।

৩) পুংসাম্ জ্ঞাতবিশেষ আজ্ঞাপয়, লোকেষু তে যত্
কৰণীয়মস্তি। সংস্মৰণ প্রবৃত্তং তে অনুগ্রহম্ আজ্ঞয়া সম্বর্ধিতম্ ইচ্ছামি ।। ৩।।

৪) পদকাঙ্ক্ষিণা কেন (জনেন) নিতান্তদীর্ঘৈঃ তপোভিঃ তে
অভ্যসূয়া (ঈর্ষাং) জনিতা, যাবত্ সঃ আহিতসায়কস্য মত্কার্মুকস্য নিদেশবর্ত্তী
ভৱতি (ভৱিষ্যতি) ।। ৪।।

৫) তৱ অসম্মতঃ কঃ পুনর্ভৱক্লেশভয়াত্ মুক্তিমার্গং প্রপন্নঃ?
(সঃ) সুন্দৰীণাম্ আৱেচিতভ্রূচতুৰৈঃ কটাক্ষৈঃ বদ্ধঃ (সন্) চিৰং তিষ্ঠতু ।। ৫।।

৬) উশনসা নীতিম্ অধ্যাপিতস্য অপি তে কস্য দ্বিষঃ অর্থধর্মৌ প্রযুক্তৰাগপ্রণিধিঃ
(অহং) প্রবৃদ্ধঃ ওঘঃ সিন্ধোঃ তটৌ ইৱ পীড়য়ামি বদ ।। ৬।।

৭) একপত্নীব্রতদুঃখশীলাম্ চাৰুতয়া লোলং মনঃ প্রবিষ্টাম্ কাং নিতম্বিনী মুক্তলজ্জাম্
(সতী) কণ্ঠে স্বয়ংগ্রাহনিযক্তবাহুম্ ইচ্ছসি ।। ৭।।

৮) (হে) কামিন্! সুৱতাপৰাধাত্ পাদানতঃ সন্ কোপনয়া কয়া অবধূতঃ
অসি? তস্যাঃ শৰীৰং দৃঢ়ানুতাপং প্রৱালশয্যাশৰণম্ কৰিষ্যামি ।। ৮।।

৯) (হে) বীৰ প্রসীদ বজ্রং বিশ্রাম্যতুঃ মদীয়ৈঃ শৰৈঃমোঘীকৃত
বাহুবীর্য্যঃ কতমঃ সুৰাৰি কোপস্ফুৰিতাধৰাভ্যঃ স্ত্রীভ্যঃ অপি বিভেতু ।। ৯।।

১০) তৱ প্রসাদাত্ কুসুমায়ুধঃ অপি একম্ মধুম্ এৱ সহায়ং লব্ধা পিনাকপাণেঃ হৰস্য
অপি ধৈর্য্যচুতিং কুর্যাম্ অন্যে ধন্বিনঃ মম কে? ।। ১০।।

১১) অথ আখণ্ডলঃ উৰুদেশাত্ পাদম্ আক্রান্তিসম্ভাৰিতপাদপীঠম্
(যথা তথা) অৱতার্য সঙ্কল্পিতার্থং বিবৃতাত্মশক্তিং কামম্ ইদম্ বভাষে ।। ১১।।

১২) (হে) সখে, এতত্ সর্বংত্বয়ি উপপন্নম্, কুলিশংভবান্ চ মম উভে অস্ত্রে (ভৱতঃ)।
তপোবীর্যম২ৎসু (জনেষু) বজ্রং কুণ্ঠম্। ত্বং সর্বতোগামি সাধকং চ (অস্ত্রং ভৱতি)
।। ১২।।

১৩) হে সখে তে সাৰম্ (বলম্) অবৈমি। অতঃ খলু আত্মসমং ত্বাং গুৰুণি কার্য্যে
নিয়োক্ষে, কৃষেঙ্ন ভূধৰতাম্ অবেক্ষ্য দেহোদ্বহনায় শেষঃ (সর্পঃ) ব্যাদিশ্যতে
।। ১৩।।

১৪) বৃষাঙ্কে বাণগতিং আশংসতা ত্বয়া নঃ কার্য্য প্রতিপন্নকল্পম্,
ইদানীং উচ্চৈদ্বিষাং যজ্ঞাংশভুজাম্ (দেৱানাম্) এতত্ ইঙ্গিতং নিবোধ ।। ১৪।।

১৫) অমী দেৱাঃ জয়ায় ভৱস্য বীর্যপ্রভৱং সেনান্যম্ উশন্তি,
ব্রহ্মাঙ্গভূঃ ব্রহ্মণি যোজিতাত্মা স চ (ভৱঃ) ত্বদেকেযুনিপাতসাধ্যঃ ।। ১৫।।

১৬) য়তাত্মনে তস্মৈ হিমাদ্রেঃ প্রয়তাং তনূজাং ৰোচয়িতুং য়তস্ব, য়োষিত্সু য়া ক্ষমা
(যোগ্যা) তদ্বীর্য্যনিষেকভূমিঃ ইতি আত্মভুৱা উপদিষ্টম্ ।। ১৬।।

১৭) নগেন্দ্রকন্যা গুৰোঃ (পিতুঃ) নিয়োগাত্ অধিত্যকায়াং তপস্যন্তং স্থাণুং, অন্বাস্তে
ইতি অপ্সৰসাং মুখেভ্যঃ ময়া শ্রুতম্। সঃ বর্গঃ মত্ প্রণিধিঃ ।। ১৭।।

১৮) তত্ সিদ্ধৌ গচ্ছ, দেৱকার্য্য কুৰু, অয়ম্ অর্থঃ অর্থান্তৰ ভাৱ্য এৱ। (তথাপি)
বীজাঙ্কুৰঃ উদয়াত্ প্রাক্ অম্ভঃ ইৱ উত্তমং প্রত্যয়ং ত্বাং অপেক্ষতে ।। ১৮।।

১৯) সুৰাণাং বিজয়াভ্যুপায়ে তস্মিন্ অস্ত্রগতিঃ তবৈ নাম, ত্বং কৃতী, অপ্রসিদ্ধম্ অপি অনন্যসাধাৰণং কর্ম পুংসাং যশসে হি ।। ১৯।।

২০) এতে সুৰাঃ সমভ্যর্থয়িতাৰঃ (ভৱন্তি)। কার্য্যং ত্রয়ানামপি পিষ্ঠপানাং, ত্বং স্পৃহনীয়বীর্য্যঃ অসি ।। ২০।।

## ২.৫.২ শ্লোকসমূহৰ শব্দার্থ (১-২০)

এতিয়া আপুনি 'কুমাৰসম্ভৱম্' মহাকাব্যৰ তৃতীয়সর্গৰ (১-২০) শ্লোকসমূহৰ শব্দার্থ পঢ়িবলৈ পাব।

**১ নং শ্লোকৰ শব্দার্থ**

মঘোনঃ অক্ষ্নাম্ সহস্রম্ তস্মিন্ কামদেৱে পপাত (ইন্দ্রৰ সহস্র চকু কামদেৱৰ ওপৰত পৰিল), ত্রিদশান্ বিহায় তস্মিন্ পপাত (ইন্দ্রৰ চকু আন দেৱতাসকলৰ পৰা পাৰ হৈ) প্রয়োজনাপেক্ষিতয়া প্রভূণাম্ আশ্রিতেষু গৌৰৱম্ প্রায়ঃ চলং ভৱতি (ইন্দ্রই কামদেৱৰ পৰা কাম বিচাৰিছে, সেই কাৰণে তেওঁ আন দেৱতাসকলতকৈ কামদেৱৰ ওপৰত অধিক গুৰুত্ব প্রদান কৰিছে। প্রায়েই দেখা যায় গৰাকীসকলে আশ্রিতসকলৰ ওপৰত কেতিয়াবা অধিক গুৰুত্ব দিয়ে।

**২ নং শ্লোকৰ শব্দার্থ**

স (কামঃ) মিথঃ এনম্ (ইন্দ্রম্) এৱম্ বক্তুং প্রাক্রমত্ (কামদেৱে অতি সংগোপনে ইন্দ্রক এনেদৰে ক'বলৈ ধৰিলে) ভর্ত্তুঃ প্রসাদং মুধ্র্না প্রতিনন্দ্য (কামদেৱে গৰাকীৰ আশীর্বাদ শিৰেৰে গ্রহণ কৰিলে।) স বাসবেন বিসৃষ্টভূমিঃ (কামদেৱে ইন্দ্রৰ ওচৰতে আসন গ্রহণ কৰিলে) আসন সন্নিকৃষ্টম্ ইতঃ নিষীদ ইতি (তেওঁক) কামদেৱক ইন্দ্রৰ আসনৰ একেবাৰে কাষত বহিবলৈ দিলে।

**৩ নং শ্লোকৰ শব্দার্থ**

হে পুংসাম্ জ্ঞাত বিশেষ (হে সর্বজ্ঞ ইন্দ্র) আজ্ঞাপয় লোকেষু তে যত্ কৰণীয়মস্তি (আদেশ কৰক, এই জগতত আপোনাৰ বাবে কি কৰিবলগীয়া আছে?) সংস্মৰণ প্রযুক্ত তে অনুগ্রহম্ আজ্ঞয়া সংবর্ধিতম্, ইচ্ছামি। (আপুনি মোক স্মৰণ কৰি দেখুৱা অনুগ্রহ আজ্ঞা পালনৰ দ্বাৰা বৃদ্ধি কৰিবলৈ ইচ্ছা কৰো।)

**৪ নং শ্লোকৰ শব্দার্থ**

পদকাংক্ষিণা কেন (জনেন) নিতান্ত দীর্ঘেঃ তপোভিঃ (আপোনাৰ এই পদৰ আকাংক্ষা কৰি কোনো ব্যক্তিয়ে দীর্ঘ কালধৰি তপস্যা কৰিছেনে কি? যাৱত্ সঃ আহিতসায়কস্য মত্কার্মুকস্য (তেওঁক মোৰ এই ধনুৰে) নির্দেশৱর্ত্তী ভৱতি (যদি আপুনি আদেশ দিয়ে।)

**৫ নং শ্লোকৰ শব্দার্থ**

তৱ অসন্মতঃ কঃ পুনর্ভৱক্লেশ ভয়াত্ মুক্তিমার্গং প্রপন্নঃ (আপোনাৰ সন্মতি

নোলোৱাকৈ পুনর্জন্ম ক্লেশৰভয়ত কোনোৱে মুক্তিমার্গৰ আশ্রয় লৈছে নেকি?) সুন্দৰীনাম আৱেচিতভ্রু চতুৰৈঃ কটাক্ষৈঃ বদ্ধঃ সন্), চিৰং তিষ্ঠতু। (সেই জনকো সুন্দৰ চেলাউৰিযুক্ত নাৰীৰ কটাক্ষ চাৱনিৰে চিৰকাল সংবদ্ধ কৰি ৰাখিব পাৰিম্।)

**৬ নং শ্লোকৰ শব্দার্থ**

উশনসা নীতিম্ অধ্যাপিতস্য অপি তে (শুক্রাচার্যৰ নীতিৰ দ্বাৰা দীক্ষিত হ'লেও), অপি তে কস্য দ্বিষঃ (আপোনাৰ যদি কোনো শত্রু আছে), অর্থধর্মৌ (অর্থ আৰু ধর্ম) প্রযুক্ত ৰাগপ্রণিধি (বিষয়াভিলাষযুক্ত চোৰাংচোৱা পঠাই), প্রবৃদ্ধঃ ওঘঃ সিন্ধোঃ তটৌ ইৱ পীড়য়ামি বদ (প্রৱাহমান নদীৰ টোৰে যিদৰে পাৰভাঙি পেলায়, ময়ো নাশ কৰিব পাৰো, যদিহে আপুনি কয়)।

**৭ নং শ্লোকৰ শব্দার্থ**

একপত্নীব্রতদুঃখশীলাম্ (পতিব্রতা ধর্মত দৃঢ়ব্রতী), চাৰুতয়া লোলং মনঃ প্রবিষ্টাম্ (সুন্দৰীৰ সৌন্দর্যৰ প্রতি মন আকর্ষিত হৈছে নেকি?), নিতম্বিনীং মুক্তলজ্জাম্ (সুন্দৰীৰ লজ্জা নাশ কৰিব পাৰো), কণ্ঠে স্বয়ংগ্রাহনিযক্তবাহুম্ ইচ্ছসি (স্বইচ্ছাৰে আপোনাৰ কণ্ঠালিঙ্গন কৰাব পাৰো।)

**৮ নং শ্লোকৰ শব্দার্থ**

হে কামিন! (হে কামী), সুৰতাপৰাধাত্ পাদানতঃ (সুৰত কর্মত প্রণত হৈছে নে কি?), সন্ কোপনয়া কয়া অৱধূতঃ অসি? (কোনো খঙাল স্বভাৱৰ নাৰীৰ দ্বাৰা তিৰস্কৃত হৈছে নেকি?), তস্যাঃ শৰীৰং দৃঢ়ানুতাপং (তেওঁৰ শৰীৰত কামনাৰ তাপ বৃদ্ধি কৰি), প্রবালশয্যাশৰণং কৰিষ্যামি (তেওঁকো প্রবাল শয্যাত আশ্রয় লোৱাব পাৰো।)

**৯ নং শ্লোকৰ শব্দার্থ**

বীৰ প্রসীদ (হে বীৰবৰ প্রসন্ন হওক), বজ্রৰে বিশ্রাময়তু (আপোনাৰ বজ্রক বিশ্রাম দিয়ক), মদীয়ৈঃ শৰৈঃ মোঘীকৃতবাহুবীর্যং কতমঃ সুৰাৰিঃ (আপোনাৰ কোন দানৱ শত্রুক মোৰ শৰেৰে পৰাজিত কৰিব পাৰো), কোপস্ফুৰিতাধৰাভ্যঃ স্ত্রীভ্যঃ অপি বিভেতু (খঙত কঁপি থকা ওঠৰ স্ত্রীৰ পৰাও ভয় খায়)।

**১০ নং শ্লোকৰ শব্দার্থ**

তৱ প্রসাদাত্ (আপোনাৰ অনুগ্রহত), কুসুমায়ুধঃ অপি অহম্ (ফুল অস্ত্র হ'লেও), মধুমেৱ সহায়ং লব্ধা (বসন্তক যদি সহায় হিচাবে পাওঁ), পিনাকপাণেঃ হৰস্য অপি (পিনাকপাণি মহাদেৱকো), ধৈর্য্যচ্যুতিং কুর্যাম্ (ধৈর্য্যচ্যুতি ঘটাব পাৰো), অন্যঃ ধন্বিনং মম কে? (অন্য ধনুর্ধৰৰ প্রতি মই ভ্রুক্ষেপ নকৰো।

**১১ নং শ্লোকৰ শব্দার্থ**

অথ উৰুদেশাত্ পাদম্ (উৰুৰ পৰা ভৰিখন নমাই), আক্রান্তি সম্ভাৰিত পাদপীঠম্ (পাদপীঠত স্থাপন কৰিলে), অৱতার্য সঙ্কল্পিতার্থ বিবৃত আত্মশক্তিং (ইপ্সিত বিষয়ত কামদেৱে নিজ শক্তি ব্যক্ত কৰাত), কামম্ ইদম্ বভাষে (কামদেৱক এনেদৰে ক'বলৈ

ধৰিলে।)

**১২ নং শ্লোকৰ শব্দার্থ**

হে সখে (হে সখি), এতত্ সর্বং ত্বয়ি উপপন্নম্ (তুমি যি কৈছা সকলো উপযুক্ত কথা), কুলিশং ভৰান্ চ মম উভে অস্ত্রে (মোৰ বাবে উভয়েই অস্ত্র) (যেনে মোৰ ব্রজ আৰু তুমি), তপোবীর্যং মহত্সু বজ্রং কুণ্ঠম্ (তপোবীর্য জনৰ প্রতি বজ্র নিস্ফল), ত্বৰে সর্বতোগামি সাধকং চ (তুমি সর্বত্রগামী আৰু কার্যকৰী)।

**১৩ নং শ্লোকৰ শব্দার্থ**

হে সখে তে সাৰম্ (বলম্), অবৈমি (তোমাৰ শক্তিৰ বিষয়ে জানো), অতঃ খলু আত্মসমং ত্বাং (সেই কাৰণে নিজৰ দৰে ভাবি তোমাক), গুৰুণি কার্যে নিয়োক্ষে (গুৰুতৰ কর্মত নিয়োগ কৰিবলৈ ওলাইছো), কৃষেঞ্চ ভূধৰতামবেক্ষ (বিষ্ণুৱে পৃথিৱীৰ ভাৰ ধাৰণ কৰিবলৈ সমর্থ বুলি জানিয়েই), দেহোদ্বহনায় শেষঃ ব্যাদিশ্যতে (অনন্তনাগক দেহৰ ভাব ধাৰণ কৰিবলৈ নিয়োগ কৰিছিল।)

**১৪ নং শ্লোকৰ শব্দার্থ**

বৃষাঙ্কে বাণগতি আশংসতা (মহাদেৱৰ ওপৰত বাণৰ গতি প্রকাশ কৰাৰ ফলত), ত্বয়া নঃ কার্যং প্রতিপন্ন কল্পম্ (তুমি আমাৰ কার্যটো এক প্রকাৰ স্বীকাৰ কৰাৰ দৰে হ'ল), ইদানীং উচ্চৈদ্বিষাং যজ্ঞাংশ ভূজাং দেৱানাং (এতিয়া প্রচণ্ড শত্রুৰ সন্মুখীন হোৱা যজ্ঞাংশভোজী দেৱতাসকলৰ), এতত্ ইপ্সিতং নিবোধ (ইপ্সিত বা প্রয়োজনীয় বস্তু এইটোৱেই।)

**১৫ নং শ্লোকৰ শব্দার্থ**

অমী দেৱাঃ জয়ায় (এই দেৱতাসকলে জয়ৰ বাবেই), ভৱস্য বীর্যপ্রভৱঃ সেনান্যম্ উশন্তি (মহাদেৱৰ বীর্যৰ পৰা এজন দেৱ সেনাপতি পাবলৈ ইচ্ছা কৰিছে), ব্রহ্মাঙ্গভূঃ ব্রহ্মণি যোজিতাত্মা স চ ভৱঃ (সেই মহাদেৱে নিজকে পৰমব্রহ্মত আত্মা সংযোগ কৰি পৰমাত্মাত একাত্ম হৈছে), ত্বদেকেষুনিপাতসাধ্যঃ (তোমাৰ একেপাত শৰেই বশ হোৱাৰ যোগ্য)।

**১৬ নং শ্লোকৰ শব্দার্থ**

যতাত্মনে তস্মৈ হিমাদ্রেঃ প্রয়তাং তনুজাং (মহাদেৱলৈ হিমালয়ৰ পৱিত্র কন্যাক (পার্বতীক) আকর্ষণ কৰিবলৈ যত্ন কৰা হওক), যোষিত্সু (স্ত্রীসকলৰ ভিতৰত), তদ্বীর্য্য নিষেকভূমিঃ (শিৱবীর্যধাৰণ কৰিব পৰা), সৈৱ (পার্বতীয়েই) ক্ষমেত্যাত্মাভুৱোপদিষ্টম্ (কেৱল সমর্থ, এই কথা ব্রহ্মাই (প্রজাপতিয়ে কৈছে।)

**১৭ নং শ্লোকৰ শব্দার্থ**

নগেন্দ্রকন্যা গুৰো (পিতুঃ) নিয়োগাত্ (হিমালয়ৰ কন্যা পার্বতীয়ে পিতৃৰ দ্বাৰা নিযুক্তি পোৱাত), অধিত্যকায়াং তপস্যন্তং স্থানুং (হিমালয়ৰ উচ্চ শিখৰত মহাদেৱক তপস্যা কৰি আছে), অন্বোস্তে ইতি অপ্সৰসাং মুখেভ্যঃ ময়া শ্রুতম্ (এই কথা মই

অপ্সৰাসকলৰ পৰা জানিব পাৰিছো), স বর্গঃ মত্ প্রণিধিঃ (কাৰণ, তেওঁলোক মোৰেই গুপ্তচৰ)।

**১৮ নং শ্লোকৰ শব্দার্থ**

তত্ সিদ্ধ্যৈ গচ্ছ (সেই কাৰণে সিদ্ধিৰ বাবে যোৱা), দেৱকার্যং কুৰু (দেৱতাসকলৰ বাবে কর্মকৰা), অয়ম্ অর্থঃ অর্থান্তৰ ভাৱ্য এৱ (এই কামটো অন্য এটা কামৰ দ্বাৰা সফল হোৱাৰ যোগ্য), (তথাপি) বীজাঙ্কুৰঃ উদয়াত্ প্রাক্ অন্তঃ ইব্ (যিদৰে গজালি ওলোৱাৰ আগতে বীজে পানীৰ বাবে অপেক্ষা কৰে), উত্তমং প্রত্যয়ং ত্বাং অপেক্ষতে (তোমাকেই উত্তম কাৰণৰূপে অপেক্ষা কৰি আছে।)

**১৯ নং শ্লোকৰ শব্দার্থ**

সুৰাণাং বিজয়াভ্যুপায়ে (দেৱতাসকলৰ বিজয়লাভৰ বাবে), তস্মিন্ অস্ত্রগতিঃ তৱ এৱ (তোমাৰেই অস্ত্রৰ গতি আছে), ত্বং কৃতী (তুমি কীর্ত্তিমান), অপ্রসিদ্ধম্ অপি অনন্য সাধাৰণং কর্ম (আনে কৰিব নোৱাৰা এটা কাম অপ্রসিদ্ধ হ'লেও) পুংখাং য়শসে হি (পুৰুষৰ বাবে যশস্যাৰ কাৰণ হয়)।

**২০ নং শ্লোকৰ শব্দার্থ**

এতেসুৰাঃ সমভ্যর্থয়িতাৰঃ (ভৱন্তি) (এই দেৱতাসকল তোমাৰ সন্মুখত অর্থী), কার্যং ত্রয়াণামপি বিষ্টপানাং (ভুৱনানাং ভৱতি) (কামটোও ত্রিভূৱনৰ মঙ্গলৰ কাৰণে), কর্মং তে চাপেন (সাধ্যম্) এই কামটোও তোমাৰ ধনুৰ দ্বাৰাই সিদ্ধ হ'ব), ন চ অতি হিংস্রম্ (অতি হিংস্রও নহয়) ত্বং স্পৃহনীয় বীর্যঃ অসি (তোমাৰ কামটো (শক্তি) স্পৃহনীয়)।



### জানি থোৱা ভাল

ওপৰত উল্লেখ কৰা শ্লোকসমূহৰ কিছুমান সংস্কৃত শব্দৰ সম্যক জ্ঞানৰ বাবে শ্লোকসংখ্যা অনুযায়ী চমুটোকা দিয়া হ'ল—

**শ্লোক নং ৩**

**লোকেষু** = 'লোকেষু' শব্দই ত্রিভুবনক বুজায়। স্বর্গ, মর্ত্য আৰু পাতালক একেলগে ত্রিভুবন বোলা হয়। ত্রিভুবনত ইন্দ্রৰ যি কৰিবলগীয়া আছে, সেই সকলোবোৰ কামদেৱে কৰিব বুলি ইন্দ্রক কৈছে।

**শ্লোক নং ৬**

উশনস্ = উশনস্ শুক্রাচার্যৰ নাম। গীতাত কবিসকলৰ ভিতৰত তেওঁকে শ্রেষ্ঠ বুলি কোৱা হৈছে। 'কবীনামুশনা কবিঃ'— গীতা- ১০/৩৭। এওঁৰ পিতৃৰ নাম কাব্য। পৰৱর্তী যুগত এওঁ অসুৰসকলৰ গুৰু আৰু শুক্রগ্রহৰ অধিষ্ঠাত্রী দেৱতা বুলি বর্ণিত হৈছে।

**শ্লোক নং ১০**

**কুসুমায়ুধ ঃ** কুসুমায়ুধ কামদেৱ বা মদনক কোৱা হয়। 'কুসুম' শব্দৰ অর্থ পুষ্ট বা ফুল

আৰু 'আয়ুধ' শব্দৰ অর্থ বাণ অর্থাৎ অস্ত্র। কামদেৱক সেই কাৰণে 'পুষ্পধন্বা'ও বোলা হয়। কামদেৱৰ বাণ পাঁচবিধ ফুলেৰে নির্মিত। যেনে— অৰবিন্দ, অশোক, চ্যুত (আম ফুল), নৱমল্লিকা, নীলোৎপল (নীলাপদুম)।

অৰিৰিন্দমশোকঞ্চ চ্যুতন্বতনৱমল্লিকা।
নীলোৎপলঞ্চ পঞ্চ এতে পঞ্চ বাণস্য সায়কাঃ।।

**শ্লোক নং ১৩**

**শেষ ঃ** 'শেষ' হৈছে সর্পৰ ৰজা। আন নাম অনন্ত। আঠবিধ সর্পৰ ভিতৰত অনন্ত সকলোতকৈ শ্রেষ্ঠ। ভগৱান বিষ্ণুৱে অনন্ত নাগৰ ওপৰতে দেহৰ ভাব অর্পণ কৰিছিল।

**আঠবিধ সর্প** — ১) অনন্ত, ২) বাসুকি, ৩) পদ্ম, ৪) মহাপদ্ম, ৫) তক্ষক, ৬) কুলীৰ, ৭) কর্কট, ৮) শঙ্খ।

অনন্ত বাসুকিঃ পদ্মো মহাপদ্মশ্চ তক্ষকঃ।
কুলীৰ ঃ কর্কটঃ শঙ্খোহ্যষ্টনাগা প্রকীর্ত্তিতাঃ।।

**শ্লোক নং ১৭**

**নগেন্দ্রকন্যা ঃ** হিমালয় কন্যা পার্বতী।

## ২.৫.৩ শ্লোকসমূহৰ অনুবাদ

১) ইন্দ্রৰ সহস্র চকুৰ দৃষ্টি দেৱতাসকলক বাদ দি একেলগে সাধাৰণ দেৱতা কামদেৱৰ ওপৰত পৰিল। প্রায়েই প্রয়োজন অনুযায়ী গৰাকীসকলে সেৱকসকলক অধিক গুৰুত্ব দিয়ে।

২) তেতিয়া ইন্দ্রই তেওঁৰ কাষত থকা বিশিষ্ট আসনখনত 'ইয়াতে বহা' এই বুলি যথেষ্ট ঠাই এৰি দিছিল। গৰাকীৰ অনুগ্রহ শিৰোধার্য কৰি কামদেৱে নিভৃতে ইন্দ্রক এনেদৰে ক'বলৈ আৰমভ কৰিলে।

৩) (হে সর্বজ্ঞ ইন্দ্র!) এই ত্রিভুবনত যিখিনি আপোনাৰ কৰিবলগীয়া আছে মোক আদেশ কৰক। আপুনি মোক স্মৰণ কৰি দেখুৱা অনুগ্রহ আপোনাৰ আজ্ঞা পালনৰ দ্বাৰা বৃদ্ধি কৰিবলৈ ইচ্ছা কৰো।

৪) (দেৱৰাজ!) আপোনাৰ এই পদ আকাংক্ষা কৰি কোনো ব্যক্তিয়ে বহুদিন ধৰি তপস্যা কৰি আপোনাৰ মনত উদ্বেগ জন্মাইছেনেকি? যদি আপুনি আদেশ দিয়ে মোৰ এই ধনুৱে তেওঁক বশৱর্তী কৰি আপোনাৰ শৰণাগত কৰিব পাৰো।

৫) পুনর্জন্মৰ কষ্টৰ ভয়ত আপোনাৰ সন্মতি নোলোৱাকৈ কোনোৱে মুক্তিমার্গৰ আশ্রয় লৈছেনেকি? মোক আদেশ কৰক সেইজনকো সুন্দৰ চেলাউৰিযুক্ত সুন্দৰীৰৰ কটাক্ষ চাৱনিৰ দ্বাৰা চিৰকাল সংৱদ্ধ কৰি ৰাখিব পাৰিম।

৬) প্রৱাহমান নদীৰ টোৱে যিদৰে পাৰভাঙি পেলায় সেইদৰে ময়ো আপোনাৰ শত্রু স্বয়ং শুক্রাচার্যৰ নীতিৰ দ্বাৰা দীক্ষিত হ'লেও মোৰ বিষয়াভিলাস যুক্ত চোৰাংচোৱা

পঠাই তেওঁৰ ধর্ম আৰু অর্থ নাশ কৰিম যদিহে আপুনি আদেশ দিয়ে।

৭) কোনো পতিব্রতা সুন্দৰী নাৰীয়ে তেওঁৰ সৌন্দর্যৰে আপোনাৰ মন মুগ্ধ কৰিছে নেকি? যদি আপুনি অনুমতি দিয়ে তেনেহ'লে তেওঁকো লজ্জাহীনা কৰি স্বইচ্ছাৰে আপোনাৰ কণ্ঠালিঙ্গন কৰাব পাৰো।

৮) হে কামিন! কামনাবশতঃ পাদানত হোৱা সত্বেও কোনো খণ্ডাল স্বভাৱৰ নাৰীৰ দ্বাৰা আপুনি তিৰস্কৃত হৈছে নেকি? (যদি আপুনি আদেশ দিয়ে) গভীৰ অনুতাপৰে তেওঁৰ শৰীৰ তার্পিত কৰি তেওঁকো শয্যাত আশ্রয় লোৱাব পাৰো।

৯) হে বীৰবৰ প্রসন্নহওক। আপোনাৰ বজ্রই বিশ্রাম লওক। আপোনা কোন দানৱশত্রুক মোৰ শৰেৰে পৰাজিত কৰিব পাৰো কওক। মই তেওঁক এনেকুৱা কৰিম যাতে খণ্ডত ওঁঠ কঁপি থকা তিৰোতাৰ পৰাও ভয় খায়।

১০) হে দেৱৰাজ! আপোনাৰ অনুগ্রহত যদি ফুলক অস্ত্র হিচাবে আৰু বসন্তক যদি সহায়ক হিচাবে পাওঁ তেনেহ'লে সেই পিনাকধাৰী মহাদেৱৰো মই তপস্যা ভংগ কৰিব পাৰো।

১১) তেতিয়া ইন্দ্রই তেওঁৰ উৰুৰ পৰা সোঁ ভৰিখন নমাই পাদপীঠত স্থাপন কৰিলে আৰু ঈপ্সিত বিষয়ত কামদেৱে নিজশক্তি প্রকাশ কৰাৰ কথা জানিব পাৰি কামদেৱক এনেদৰে ক'বলৈ ধৰিলে।

১২) হে সখী! তুমি যি কৈছা সেইসকলোবোৰ উপযুক্ত কথা, সেয়া তোমাৰেই শোভা প্রকাশ পাইছে। মোৰ বাবে উভয়েই অস্ত্র, বজ্র আৰু তুমি। কিন্তু তপোবীর্য ব্যক্তিসকলৰ ওচৰত বজ্র নিষ্ফল হয়। কিন্তু তুমি সর্বত্র গামী আৰু কার্যকৰী। (অর্থাৎ তুমি সকলোতে বিৰাজমান আৰু সকলো কামেই কৰিব পৰা)।

১৩) তোমাৰ শক্তিৰ বিষয়ে নিশ্চয়কৈ জানোহক। সেই কাৰণে মোৰ নিজৰ নিচিনা তোমাক এটা ডাঙৰ কামত নিযুক্ত কৰিবলৈ ওলাইছো। কিয়নো, পৃথিৱীৰ ভাৰ ধাৰণ কৰাৰ সামর্থ দেখিয়েই বিষ্ণুৱে শেষনাগক তেওঁৰ দেহৰ ভাৰ ধাৰণ কৰিবলৈ আদেশ দিছিল।

১৪) মহাদেৱৰ ওপৰত বাণৰ শক্তি প্রকাশ কৰাৰ ফলত তোমাৰ দ্বাৰা আমাৰ কামটো প্রায় সম্পন্ন কৰাৰ নিচিনা হ'ল। এতিয়া প্রচণ্ড শত্রুৰ সন্মুখীন হোৱা যজ্ঞাংশভোজী দেৱতাসকলৰ ইপ্সিত বা প্রয়োজনীয় বস্তুত এইটোৱেই।

১৫) এই দেৱতাসকলে জয়ৰ বাবেই মহাদেৱৰ শক্তিৰ পৰা সৃষ্টি হোৱা এজন দেৱসেনাপতি পাবলৈ ইচ্ছা কৰিছে। সেই মহাদেৱে (যিজনে) পৰমব্রহ্মত নিজৰ আত্মা সংযোগ কৰি পৰমাত্মাৰ অঙ্গস্বৰূপ হৈছে তেওঁ তোমাৰ একেপাত শৰতেই বশ হোৱাৰ যোগ্য।

১৬) মহাদেৱলৈ হিমালয়ৰ পৱিত্র কন্যাক পার্বতীক যত্ন কৰিবলৈ আকর্ষণ কৰা হওক। স্ত্রীসকলৰ ভিতৰত শিৱ বীর্য ধাৰণ কৰাৰ ক্ষমতা কেৱল তেওঁৱেই সমর্থ।

১৭) হিমালয়ৰ কন্যা পার্বতী পিতৃৰ দ্বাৰা নিযুক্ত হোৱাত হিমালয়ৰ উচ্চ শিখৰত তপস্যাৰত মহাদেৱক পৰিচর্যা কৰি আছে। এই কথা মই অপ্সৰাসকলৰ পৰা জানিব পাৰিছো।

১৮) গতিকে কার্যসিদ্ধিৰ বাবে যোৱাহঁক। দেৱতাসকলৰ এই কামতো অন্য এটা কামৰ দ্বাৰা সফল হোৱাৰ যোগ্য। যিদৰে গজালি ওলোৱাৰ আগতে গুটিয়ে পানীৰ বাবে অপেক্ষা কৰে, ঠিক তেনেদৰে এই কামটোৱে ও তোমাকেই অপেক্ষা কৰি আছে।

১৯) দেৱতাসকলৰ বিজয়ৰ কাৰণে মহাদেৱৰ ওপৰত তোমাৰেই অস্ত্র গতিৰ সম্ভাৱনা আছে। গতিকে তুমি কীর্ত্তিমান। আনে কৰিব নোৱৰা কাম এটা অপ্রসিদ্ধ হ'লেও পুৰুষৰ বাবে যশস্যাৰ কাৰণ হয়।

২০) এই দেৱতাসকল তোমাৰ সন্মুখত অর্থী অর্থাৎ যাচক আৰু কামটোও ত্রিলোকৰ মঙ্গলৰ বাবে। এই কামটো তোমাৰ ধনুৰ দ্বাৰাই সিদ্ধ হ'ব আৰু অতি হিংস্রও নহয়, তোমাৰ শক্তি স্পৃহনীয়।



**অগ্রগতি নিৰীক্ষণ**

প্রশ্ন নং ৬ঃ কুমাৰসম্ভৱৰ তৃতীয়সর্গৰ প্রথম শ্লোকত থকা 'মঘোন' শব্দই কাক বুজাইছে?

.....

প্রশ্ন নং ৭ঃ দ্বিতীয় শ্লোকত উল্লেখ কৰা 'বাসৱ' শব্দই কাক বুজাইছে?

.....

প্রশ্ন নং ৮ঃ 'সুৰাৰি' শব্দৰ অর্থ কি?

.....

প্রশ্ন নং ৯ঃ 'কুলিশং' শব্দই কি বুজায়?

.....

প্রশ্ন নং ১০ঃ বৃষাঙ্কে' শব্দই কাক বুজাইছে?

.....

প্রশ্ন নং ১১ঃ বিষ্টপ শব্দই কি বুজায়?

.....

## ২.৫.৪ ব্যাকৰণগত টোকা

**১ নং শ্লোকঃ**

**বিভক্তি নির্ণয় ঃ** তস্মিন্ = অধিকৰণে ৭মী

মঘোনঃ = শেষে ষষ্ঠী

আশ্রিতেষু = অধিকৰণে তমী

**সমাস ঃ** ত্রিদশান্ = ত্রিৰবৃত্তা দৃশা পৰিমানম্ এষাম্ ইতি ত্রিদশা (বহুব্রীহিসমাস)

**ব্যুৎপত্তি ঃ** বিহায় = বি - √হা + ল্যপ্

পপাত = √পত্ + লিট্ + অ

প্রয়োজনাপেক্ষিণঃ = প্রয়োজন + অপ্ + √ঈক্ষ্ + ণিনি

গৌৰৱম্ = গুৰু + অণ্ + ভাবে

**২ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** = নিষীদ = নি- সদ্ + লোট্ হি

বিসৃষ্ট = বি - সৃজ্ + ক্তকর্মণি

প্রতিনন্দ্য = প্রতি - নন্দ + ল্যপ্

বক্তুম্ = বচ্ + তুমুন্

প্রাক্রমত = প্র - ক্রম্ + লঙ্ + ত

**বিভক্তি নির্ণয় ঃ** বাসবেন = অনুক্তে কর্ত্তৰি তৃতীয়া

ইতঃ = অধিকৰণে সপ্তমী

মুধ্র্না = কৰণে তৃতীয়া

**সমাস ঃ** বিসৃষ্টভূমিঃ = বিসৃষ্টাভূমিঃ যস্মৈ = বহুব্রীহি সমাস

**৩ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** আজ্ঞাপয় = আ - জ্ঞা +ণিচ্ + লোট হি

অস্তি = অস্ +লট্ +তি

অনুগ্রহম্ = অনু - +গ্রহ্ +অপ্ ভাৱে

সংস্মৰণ = সম্ +স্মৃ +ল্যুট্ ভাৱে

প্রবৃত্তম্ = প্র - বৃত্ +ক্ত

ইচ্ছামি = ইষ, +লট্ মি

সম্বর্দ্ধিতম্ = সম্ +বৃধ্ +ণিচ্ +ক্ত কর্মণি

**বিভক্তি নির্ণয় ঃ**

আজ্ঞয়া - কৰণে তৃতীয়া।

**৪ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** পদকাঙ্ক্ষিণা = পদ +কাঙ্ক্ষ +ণিনি কর্ত্তৰি

আহিত = আ - ধা +ক্ত কর্মণি

**সমাস** = মত্কার্মুকম্ = মম কার্মুকম্ = ষষ্ঠী তৎপুৰুষ

**৫ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** অসম্মতঃ ন +সম্ +মন্ +ক্ত বর্তমানে কর্মণি

ভবঃ = ভূ + √অচ্ +কর্ত্তৰি

প্রপন্নঃ = প্র √প্রদ +ক্ত কর্ত্তৰি

বদ্ধঃ = √বন্ধ + ক্ত কর্ত্তৰি

তিষ্ঠতু = স্থা + লোট্ +তু

আৱেচিত = আ - ৰিচ্ +ণিচ্ +ক্ত কর্মণি

**বিভক্তি নির্ণয় ঃ** ক্লেশলভয়ম্ = ক্লেশাত্ ভয়ম্ হেতৌ ৫মী।

চিৰম্ = ব্যাপ্তার্থে দ্বিতীয়া।

**৬ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** অধ্যাপিতস্য = অধি +ই +ণিচ্ +ক্ত কর্মণি

প্রণিধিঃ = প্র - নি +ধা কি

প্রযুক্ত = প্র - যুজ্ +ক্ত কর্মণি

পীড়য়ামি = পীড় +ণিচ্ +লট্ মি

**সমাস** = প্রযুক্তৰ প্রণিধিঃ = ৰাগ এব প্রণিধিঃ = প্রযুক্তঃ ৰাগপ্রণিধিঃ যেন = বহুব্রীহি সমাস

**৭ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** প্রবিষ্টাম্ = প্র - বিশ্ +ক্ত কর্ত্তৰি স্ত্রিয়াম্

ইচ্ছসি = ইষ্ +লট্ সি

**সমাস** = মুক্তা লজ্জা য়য়াসা = বহুব্রীহি সমাস

**বিভক্তি নির্ণয় ঃ** চাৰুতয়া = হেতৌ তৃতীয়া

কণ্ঠে = আধাৰোহধিকৰণে সপ্তমী

**৮ নং শ্লোকঃ**

**বিভক্তি নির্ণয় ঃ** কয়া = অনুক্তে কর্ত্তৰি তৃতীয়া

সুৰতাপৰাধাত্ = হেতৌ সপ্তমী

**ব্যুৎপত্তি ঃ** কয়া = অনুক্তে কর্ত্তৰি তৃতীয়া।

অৱধূতঃ = অৱ + √ধূ + ক্ত কর্মনি

কৰিষ্যামি = কৃ + লৃট্ + স্যামি।

**৯ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** প্রসীদ = প্র - √সদ্ + লোট্ হি

বিশ্রাম্যতু = বি - শ্রম্ + লোট্ + তু।

**বিভক্তি নির্ণয় ঃ** শৰৈঃ = অনুক্তে কর্ত্তৰি তৃতীয়া, স্ত্রীভ্যঃ = অপাদানে পঞ্চমী

**সমাস ঃ** মোঘীকৃত বাহুবীর্য্যঃ মোঘীকৃতং বাহুবীর্যং যস্য = বহুব্রীহি সমাস বাহোঃ বীর্যম্ (ষষ্ঠ তৎপুৰুষ)

**১০ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** প্রসাদাত্ = প্র-√সদ্ + ঘঞ্ ভাবে তস্মাৎ

সহায়ম্ = সহ অয়তে ইতি = সহ + অয় + অচ্ কর্ত্তৰি = সহায়

লব্ধা = √লভ্ + ক্তবাচ্

কুর্যাম্ = √কৃ + বিধিলিঙ্ য়াম্

ধন্বিনঃ = ধন্ব + ইনি

**সমাস ঃ** কুসুমায়ুধঃ = কুসুমম্ আয়ুধম্, অস্য = বহুব্রীহি সমাস

পিণাকপাণিঃ = পিনাক পাণৌ যস্য সঃ = বহুব্রীহি সমাস

**১১ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** অৱতার্য্য = অৱ + তৃ + ণিচ্ + ল্যপ্

আক্রান্তি = আ - √ক্রম্ + ক্তিন্ ভাৱে

সঙ্কল্পিতার্থ = সম্ - কৃপ + ণিচ্ + ক্ত কর্মণি

বভাষে = √ভাষ্ + লিট্ এ

**সমাস ঃ** উৰুদেশাত্ = উৰুঃ এৱদেশঃ = কর্মধাৰয় সমাস

সঙ্কল্পিতার্থ = সংকল্পিতঃ অর্থ, তস্মিন্, কর্মধাৰয় সমাস

বিবৃতাত্মশক্তিম্ = বিবৃতা আত্মশক্তিঃ যেন সঃ, তম্ = বহুব্রীহিসমাস

**১২ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** ত্বয়ি = অধিকৰণে

উপপন্নম্ = উপ - পদ + ক্ত কর্ত্তৰি

সাধকম্ = সাধ্ + ষ্বুল্ কর্ত্তৰি

**সমাস ঃ** তপোবীর্য্যম্ = তপসঃ বীর্যম্ = ৬ষ্ঠী তৎপুৰুষ সমাস।

**১৩ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** অবৈমি = অৱ + ই + লট্ মি

নিয়োক্ষে = নি - যুজ্ + লৃট্ উত্তমপুৰুষ একবচন

ব্যাদিশ্যতে = বি - আ + দিশ্ লট্ তে কর্মণি

দেহোদ্বহনায় = উদ্ + বহ্ + ল্যুট ভাবে

**সমাস ঃ** দেহোদ্বহনায় = দেহস্য উদ্বহনম্ = ৬ষ্ঠী তৎপুৰুষ, তস্মৈ

**বিভক্তি নির্ণয় ঃ** কার্য্যে = অধিকৰণে ৭মী

দেহোদ্বহনায় = তাদর্থ্যে ৪র্থী।

**১৪ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** আশংসতা = আ - শংস্ + শতৃ, তৃতীয় একবচন

প্রতিপন্নম্ = প্রতি - পদ + ক্ত কর্মণি

নিবোধ = নি - বুধ্ + লোট্ হি

যজ্ঞাংশভুজঃ = যজ্ঞাংশ ভুঞ্জতে ইতি = যজ্ঞাংশ + ভূজ্ + ক্বিপ্ কর্ত্তৰি

ইপ্সিতম্ = আপ্ - মন্ + ক্ত কর্মণি।

**বিভক্তি নির্ণয় ঃ** বৃষাঙ্কে = অধিকৰণে সপ্তমী

**সমাস ঃ** উচ্চৈদ্বিষাম্ = উচ্চৈঃ দ্বিষঃ য়েষাম্ = বহুব্রীহিসমাস

**১৫ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** ভৱস্য = ভূ + অচ্ কর্ত্তৰি

জয়ায় = জি + অচ্ + ভাৱে

উশন্তি = বশ্ + লট্ + অন্তি

যোজিতাত্মা = যুজ্ + ণিচ্ + ক্ত কর্মণি

**সমাস ঃ** বীর্য্যপ্রভৱঃ = বীর্য্য প্রভৱঃ যস্য = বহুব্রীহি

যোজিতাত্মা = যোজিতঃ আত্মা যেন সঃ = বহুব্রীহি সমাস

**বিভক্তি নির্ণয় ঃ** ব্রহ্মণি = অধিকৰণে সপ্তমী

**১৬ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** প্রয়তাম্ = প্র + য়ম্ + ক্ত কর্ত্তৰি স্ত্রিয়াম্

তনুজাম্ = তনু + জন + ড টাপ্

য়তস্ব = য়ত্ + লোট্ মধ্যমপুৰুষ একবচন

নিষেক ঃ = নি - সিচ্ ঘঞ্

আত্মভুবা = আত্মনা ভৱতীতি আত্মন্ + ভূ + ক্বিপ্ + কর্ত্তৰি।

**সমাস ঃ** য়তাত্মনে = য়ত আত্মা তস্মৈ য়স্য = বহুব্রীহি সমাস

তদ্বীর্য = তস্য বীর্যম্ = ষষ্ঠী তৎপুৰুষ

**বিভক্তি নির্ণয় ঃ** য়োষিত্সু = নির্ধাৰণে সপ্তমী।

**১৭ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** নিয়োগাত্ = নি - য়ুজ্ + ঘঞ্

তপস্যন্তম্ = তপস্ + ক্যঙ্ + দ্বিতীয়া একবচন

অন্বাস্তে = অনু - আস্ + লট্ + তে

**বিভক্তি নির্ণয়** = নিয়োগাত্ = হেতৌ পঞ্চমী

মুখেভ্যঃ = অপাদানে পঞ্চমী

**সমাস ঃ** মত্প্রণিধিঃ = মম প্রণিধিঃ = ষষ্ঠী তৎপুৰুষ

**১৮ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** সিদ্ধৈঃ সিধ্ + ক্তিন্ + ভাৱে

অপেক্ষতে = অপ - ইক্ষ্ + লট্ + তে

উদয়াত = উদ্ +ই + অচ্ ভাবে।

**বিভক্তি নির্ণয় ঃ** সিদ্ধৈঃ = তাদর্থ্যে চতুর্থী

উদয়াত = প্রাক্ শব্দ যোগে পঞ্চমী

**১৯ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** বিজয়াভ্যুপায়ে = বি-জি - অচ্ ভাবে

অভ্যুপায়ে = অভি - অপ + ই + অচ্

কৃতী = কৃত + ইনি - কৃতিন্ প্রথমা একবচন

**বিভক্তি নির্ণয় ঃ** তস্মিন্ = অধিকৰণে সপ্তমী

যশসে = তাদ্যর্থে চতুর্থী বিভক্তি

**২০ নং শ্লোকঃ**

**ব্যুৎপত্তি ঃ** সমভ্যর্থয়িতাৰঃ = সম - অভি + অর্থ + ণিচ্ কর্ত্তৰি

অসি = অস্ + লট্ + সি

**বিভক্তি নির্ণয় ঃ** চাপেন = কৰণে ৩য়া

বিষ্ঠপানাম্ = সম্বন্ধে ষষ্ঠী

**সমাস ঃ** স্পৃহনীয়বীর্যঃ = স্পৃহনীয়ং বীর্যম্ যস্য = বহুব্রীহি সমাসঃ।



**অগ্রগতি নিৰীক্ষণ**

প্রশ্ন নং ১২ঃ কুমাৰসম্ভৱৰ তৃতীয়সর্গৰ প্রথম শ্লোকত উল্লেখ কৰা 'গৌৰৱ' শব্দৰ অর্থ কি?

.....

প্রশ্ন নং ১৩ঃ ১৩ নং শ্লোকত থকা 'অবৈমি' শব্দৰ ব্যুৎপত্তি দেখুৱাওক।

.....

প্রশ্ন নং ১৪ঃ ১৬ নং শ্লোকত থকা 'হিমাদ্রী' শব্দই কি বুজাইছে?

.....

## ২.৬ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ বিষয়বস্তু

কুমাৰসম্ভৱম্ মহাকাব্যৰ তৃতীয় সর্গত থকা প্রথম শ্লোকৰ পৰা পঞ্চদশসংখ্যক (১-১৫) শ্লোকত কবিয়ে বিষয়বস্তুৰ বর্ণনা কেনেদৰে দিছে তাকেই সক্ষিপ্তৰূপত আপোনাক জনোৱা হ'ব।

ইন্দ্রৰ সহস্র চকুৰ দৃষ্টি দেৱতাসকলৰ পৰা আঁতৰি সাধাৰণ দেৱতা কামদেৱৰ ওপৰত পৰিল (১নং শ্লোক) ইন্দ্রই কামদেৱক (মদনক) কাষলৈ মাত ওচৰতে বহিবলৈ দিলে আৰু কামদেৱেও প্রভুৰ আদেশ মানি আসন গ্রহণ কৰে আৰু দেৱৰাজ ইন্দ্রক ক'বলৈ ধৰিলে। (২ নং শ্লোক)। কামদেৱে ক'লে এই ত্রিভুবনত দেৱৰাজে যি কৰিবলগীয়া আছে সেই সকলো কাম কৰিবলৈ প্রতিজ্ঞা কৰিলো। (৩নং শ্লোক)। আপোনাৰপদ আকাংক্ষা কৰি কোনো ব্যক্তিয়ে বহুদিন তপস্যা কৰি আপোনাৰ মনত উদ্বেগ জন্মাইছেনে কি? যদিহে দেৱৰাজে আদেশ দিয়ে তেওঁকো ইন্দ্র শৰণাগত কৰিব পাৰে। (৪নং শ্লোক) পুনর্জন্মৰ ক্লেশৰ ভয়ত কোনোৱে যদি ইন্দ্রৰ সন্মতি

নোলোৱাকৈ মুক্তিমার্গৰ আশ্রয় লৈছে তেওঁকো সুন্দৰীৰ কটাক্ষ চাৱনিৰে চিৰকাল আৱদ্ধ কৰি ৰাখিব পাৰিব। (৫ নং শ্লোক) শুক্রাচার্যৰ নীতিৰ দ্বাৰা দীক্ষিত হ'লেও বিষয়াভিলাষ যুক্ত চোৱাংচোৱা পঠাই ধর্ম আৰু অর্থনাশ কৰিব পাৰে। (৬ নং শ্লোক)। যদি কোনো সুন্দৰীৰ প্রতি দেৱৰাজ আকর্ষিত হৈছে যদিহে দেৱৰাজে আদেশ দিয়ে তেওঁকো লজ্জাহীনা কৰি ইন্দ্রৰ কণ্ঠলিঙ্গন কৰাব পাৰে (৭ নং শ্লোক)। কামনাবশতঃ পাদানত হোৱা সত্বেও কোনো খণ্ডাল স্বভাৱৰ নাৰীৰ দ্বাৰা যদি তিৰস্কৃত হৈছে, তেওঁকো শয্যাত আশ্রয় লোৱাব পাৰো (৮ নং শ্লোক)। দেৱৰাজৰ বজ্রই বিশ্রাম লওক যদি কোনো দানৱ শত্রু আছে তেওঁকো কামদেৱৰ শৰেৰে পৰাভূত কৰি ভয়াতুৰ কৰিব পাৰে, যাতে খণ্ডতে ওঠ কঁপি থকা তিৰোতাৰ পৰাও ভয় খায়। (৯ নং শ্লোক)। আপোনাৰ অনুগ্রহত ফুলক অস্ত্র হিচাবে আৰু বসন্তক সহায়ক হিচাপে পোৱা যায়, তেনেহ'লে পিনাকধাৰী মহাদেৱৰো তপস্যা ভঙ্গ কৰিব পাৰে (১০ নং শ্লোক)। কামদেৱৰ কথাখিনি শুনাৰ পাছত আৰু কামদেৱে ইন্দ্রক নিজ শক্তি সম্বন্ধে জনোৱাৰ পাছত ইন্দ্রই কামদেৱক এনেদৰে ক'বলৈ ধৰিলে (১১ নং শ্লোক)। ইন্দ্রই কামদেৱক প্রশংসা কৰি ক'লে যে তপোবীর্যব্যক্তিসকলৰ ওচৰত বজ্র নিস্ফল। কামদেৱেহে সকলোতে বিৰাজমান আৰু সকলো কর্ম কৰিব পাৰে (১২ নং শ্লোক)। দেৱৰাজে সেইকাৰণে নিজৰ দৰে কামদেৱক এটা ডাঙৰ কামত নিযুক্ত কৰিবলৈ বিচাৰিছে। কিয়নো পৃথিৱীৰ ভাৰ ধাৰণ কৰাৰ সামর্থ দেখিয়েই বিষ্ণুৱে শেষনাগক (অনন্তনাগক) তেওঁৰ দেহৰ ভাৰ ধাৰণ কৰিবলৈ আদেশ দিছিল (১৩ নং শ্লোক)। মহাদেৱৰ ওপৰত বাণৰ শক্তি প্রকাশ কৰাৰ ফলত কামদেৱৰ দ্বাৰা কামটো প্রায় সম্পন্ন কৰাৰ দৰে হ'ল। প্রচণ্ড শত্রুৰ সন্মুখীন হোৱা দেৱতাসকলৰ প্রয়োজনীয় বস্তু এইটোৱেই (১৪ নং শ্লোক)। এই দেৱতাসকলে জয়ৰ বাবেই মহাদেৱৰ শক্তিৰ পৰা সৃষ্টি হোৱা এজন দেৱ সেনাপতি পাবলৈ ইচ্ছা কৰিছে। সেই মহাদেৱ পৰমাত্মাৰ ধ্যানত চিত্ত নিবিষ্ট কৰিছে। তোমাৰ (কামদেৱৰ) শৰেই তেওঁক বশ কৰি ধ্যান ভংগ কৰিব পাৰিব (১৫ নং শ্লোক)।

মহাদেৱলৈ হিমালয়ৰ পৱিত্র কন্যা পার্বতীক আকর্ষিত কৰিবলৈ যত্ন কৰা হওক। স্ত্রীসকলৰ ভিতৰত মহাদেৱৰ শক্তি গর্ভত ধাৰণ কৰিবলৈ কেৱল তেওঁৱেই সমর্থ (১৬ নং শ্লোক)। হিমালয়ৰ কন্যা (পার্বতীয়ে) পিতৃৰ পৰা অনুমতি লৈ হিমালয়ৰ উচ্চ শিখৰত তপস্যাৰত মহাদেৱক পৰিচর্যা কৰি থকা বুলি অপ্সৰাসকলে জনাইছে। তেওঁলোক দেৱৰাজ ইন্দ্রৰ গুপ্তচৰ (১৭ নং শ্লোক)। গতিকে, কার্যসিদ্ধিৰ বাবে যাব লাগে। এই কামটো অনন্য সাধাৰণ আৰু সফলতা লাভ কৰাৰ যোগ্য। যিদৰে গজালি ওলোৱাৰ আগতে গুটিয়ে পানীৰ বাবে অপেক্ষা কৰে, ঠিক তেনেদৰে এই কামটোৰ বাবে কামদেৱকেই অপেক্ষা কৰি আছে। (১৮ নং শ্লোক)। দেৱতাসকলৰ বিজয়ৰ বাবে একমাত্র কামদেৱৰ অস্ত্রই গতি। আনে কৰিব নোৱৰা এটা কাম অপ্রসিদ্ধ হ'লেও পুৰুষৰ বাবে যশস্যাৰ কাৰণ হ'ব (১৯ নং শ্লোক)। দেৱতাসকল কামদেৱৰ সন্মুখত অর্থী অর্থাৎ যাচক আৰু কামটোও ত্রিলোকৰ মঙ্গলৰ বাবে। এই কামটো মদনৰ ধনুৰ দ্বাৰাহে সিদ্ধ হ'ব, যিটো অতি হিংস্রও নহয় আৰু স্পৃহনীয় অর্থাৎ সকলোৱে বিচাৰে (২০ নং শ্লোক)।

## ২.৭ কেইটামান শ্লোকৰ ব্যাখ্যা (১-২০)

এতিয়া এই অধ্যায়ত থকা কেইটামান প্রয়োজনীয় শ্লোকৰ ব্যাখ্যা সন্নিবিষ্ট কৰা হ'ব। সেইবোৰ তলত উল্লেখ কৰা হ'ল—

(ক) তস্মিন মঘোনস্ত্রিদশান্‌বিহায় সহস্রমক্ষ্ণাং যুগপত্‌পপাত।
প্রয়োজনাপেক্ষিতয়া প্রভূণাং প্রায়শ্চলং গৌৰৱমাশ্রিতেষ।।

দেৱৰাজ ইন্দ্রৰ সহস্র চকুৰ দৃষ্টি কামদেৱৰ ওপৰত পৰিব। গৰাকীৰ ভৃত্যৰ প্রতি থকা আদৰ প্রয়োজন সাপেক্ষেহে অধিক হয়। পাছত ক্রমে নোহোৱা হৈ পৰে।

সাধাৰণতে ভৃত্য বা নিম্নবর্গৰ কর্মচাৰীসকলক প্রভূ বা গৰাকীয়ে গুৰুত্ব নিদিয়ে। নিজৰ তুলনাত তেওঁলোকক অতি নগণ্য বুলি জ্ঞান কৰে। তেওঁলোকৰ মনত ভৃত্যসকলে যেন কেতিয়াও আচৰিত হ'বলগীয়া কাম কৰিব নোৱাৰে। গৰাকীৰ এনে উচ্চ নীচ মনোভাৰ থকাটো সাধাৰণতে পৰিলক্ষিত হয়। 'কুমাৰসম্ভৱম্' মহাকাব্যখনিৰ ৩য় সর্গৰ প্রথম শ্লোকতো দেৱৰাজ ইন্দ্রই মদনৰ (কামদেৱৰ) প্রতি এনে ভাৱ পোষণ কৰিছে। কামদেৱ আছিল দেৱৰাজ ইন্দ্রৰ ৰাজসভাৰ চতুর্থ শ্রেণীৰ দেৱতা। সেইবাবে ইন্দ্রই তেওঁক ইমান গুৰুত্ব নিদিয়ে। কিন্তু, মহাপ্রতাপী, ভয়ংকৰী তাৰকাসুৰক বধ কৰিবৰ বাবে দেৱসেনাপতিৰ প্রয়োজন হ'ল। শিৱ আৰু পার্বতীৰ পুত্রইহে তাৰকাসুৰক বধ কৰিব পাৰিব। সেই সময়ত মহাদেৱ কঠোৰ তপস্যাত মগ্ন। সেই তপস্যা ভংগ কৰিব পাৰিব একমাত্র দেৱতা কামদেৱেহে। সেই কাৰণে মহাদেৱৰ (শিৱৰ) তপস্যা ভংগ কৰিবৰ বাবে কামদেৱৰ প্রয়োজন হ'ল। তেতিয়া ইন্দ্রই তেওঁৰ ৰাজসভাত কামদেৱৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিলে। যিজন কামদেৱক ইন্দ্রই কেতিয়াও প্রয়োজন বুলি ভবা নাছিল তেওঁ মাতি কাষতে বহিবলৈ ক'লে। পাছত দেৱৰাজক সন্তুষ্ট কৰিবলৈ ভৃত্যসদৃশ কামদেৱে আজ্ঞা বিচাৰিলে।

ইয়াৰ দ্বাৰা দেখা যায় কামদেৱক ইন্দ্রই কেতিয়াও গুৰুত্ব দিয়া নাছিল। কিন্তু মহাদেৱৰ তপস্যা ভংগ কৰিবলৈ তেওঁৰ প্রয়োজন হোৱাতহে ইন্দ্রই কামদেৱক কাষতে বহুৱাই সন্মান জনাই অধিক মৰম দেখুৱাইছিল।

খ) অসম্মতঃ কস্তৱ মুক্তিমার্গং পুনর্ভৱক্লেশভয়াত্ প্রপন্নঃ।
বদ্ধশ্চিৰং তিষ্ঠতু সুন্দৰীণামাৰেচিত ভ্রুচতুৰৈঃ কটাক্ষৈঃ।।

দেৱৰাজ ইন্দ্রৰ সহস্রচকুৰ দৃষ্টি কামদেৱৰ ওপৰত পৰিল। কামদেৱ হৈছে দেৱতাসকলৰ ভিতৰত তলৰ শ্রেণীৰ দেৱতা। ইন্দ্রৰ ৰাজসভাৰ এচুকত বহি থকা কামদেৱক ইন্দ্রই মাতি আনি নিজৰ কাষতে বহুৱালে। গৰাকীৰ এনে আদৰ দেখি কামদেৱে ইন্দ্রক প্রণাম জনাই ত্রিলোকত কি কৰিবলগীয়া আছে আদেশ পালে সকলো কৰিবলৈ আগ্রহান্বিত হ'ল। ইন্দ্রই একো উত্তৰ নিদিয়া বাবে কামদেৱে উক্ত শ্লোকফাঁকি ব্যক্ত কৰিলে— 'হে সর্বজ্ঞ ইন্দ্র, আপোনাৰ সন্মতি নোলোৱাকৈ পুনর্জন্মৰ দুখ পোৱাৰ ভয়ত মুক্তি পথ বিচৰাজনকো সুন্দৰীৰ কটাক্ষ চাৱনিৰে চিৰকাল আৱদ্ধ কৰি ৰাখিব পাৰিম।

ইয়াত কামদেৱে ইন্দ্রক কৈছে যদি কোনো লোকে এই পৃথিৱীত জন্ম গ্রহণ কৰি জৰা, মৃত্যু আদিলৈ ভয় কৰি দেৱৰাজৰ অনুমতি নোলোৱাকৈ তপস্যা কৰিবলৈ ওলাইছে, তেনে ব্যক্তিক যদিহে দেৱৰাজ ইন্দ্রই আদেশ কৰে সেই ব্যক্তিক কামাসক্ত কৰিব পাৰে। অর্থাৎ সমাধি ভংগ কৰাই ৰমণীৰ প্রতি আকর্ষিত কৰাব পাৰে। কিয়নো, সুন্দৰী নাৰীয়ে সুন্দৰ চেলাউৰি যুক্ত চাৱনিৰে তপস্যাৰত পুৰুষক আকর্ষিত কৰি সমাধি ভংগ কৰে। তেনেদৰে কামদেৱেও ইন্দ্রৰ অনুমতি নোলোৱাকৈ তপস্যাত মন নিয়োজিত কৰা জনৰ তপস্যা ভংগ কৰিব পাৰে।

(গ) অধ্যাপিতস্যেশনসাপি নীতিং প্রযুক্তৰাগপ্রণিধির্দ্বিষস্তে।
কস্যার্থধর্মৌ বদ পীড়য়ামি সিন্ধোস্তটাবোধ ইৱ প্রবদ্ধঃ।।

ইয়াত কামদেৱে ইন্দ্রক কৈছে যে কোনো ব্যক্তিয়ে যদি শুক্রাচার্যৰ ওচৰত নীতি শিক্ষা গ্রহণ কৰি ইন্দ্রৰ মনত ত্রাসৰ সৃষ্টি কৰিছে, সেইজনকো বিষয়াভিলাসযুক্ত চোৱাংচোৱা পঠাই তেওঁৰ ধর্ম আৰু অর্থ নাশ কৰিব পাৰে। যিদৰে প্রৱাহমান নদীৰ টোৱে পাৰ ভাঙি পাৰৰ সকলো ধ্বংস কৰে, তেনেদৰে কামদেৱেও ইন্দ্রৰ মনত ত্রাস জন্মোৱাজনক ধ্বংস কৰিব।

শুক্রাচার্য হ'ল নীতিশিক্ষাৰ গুৰু। শুক্রাচার্যৰ নীতিজ্ঞানৰ শিক্ষা লৈ যদি কোনোৱে ইন্দ্রৰ ধর্ম অর্থ নাশ কৰিবলৈ ইচ্ছা কৰে সেইজনকো চোৱাংচোৱাৰ দ্বাৰা ধর্ম আৰু অর্থ নাশ কৰিব পাৰে, যিদৰে নদীৰ বাঢ়নি পানীয়ে তাৰ দুয়োটা পাৰ ধ্বংস কৰে। কামদেৱৰ যে সকলো কৰাৰ ক্ষমতা আছে সেইকথা দেৱৰাজৰ ওচৰত ব্যক্ত কৰে।

(ঘ) অবৈমি তে সাৰমতঃ খলু ত্বাংকার্য্যে গুৰুণ্যাত্মসমং নিয়োক্ষে।
ব্যাদিশ্যতে ভূধৰতামবেক্ষ্যকৃষ্ণেন দেহোদ্বহনায় শেষঃ।।

দেৱৰাজ ইন্দ্রই সখি সম্বোধনেৰে কামদেৱক ক'বলৈ ধৰিলে যে মহাদেৱৰ সমাধি ভংগ কৰিবলৈ কামদেৱ উপযুক্ত অস্ত্র হ'ব। কাৰণ, যদিও ইন্দ্রৰ অস্ত্র বজ্র অতিশয় শক্তিশালী তথাপি শিৱৰ সমাধিক ভংগৰ ক্ষেত্রত নিস্ফল। কিন্তু কামদেৱৰ গতি অপ্রতিহত আৰু কার্যকৰী, অর্থাৎ কামদেৱৰ অস্ত্র ফুল হোৱাৰ বাবে সর্বত্রগামী আৰু কার্যকৰী। সেই কাৰণে দেৱৰাজে দেৱতাসকলৰ উপকাৰৰ বাবে কামদেৱক এটা ডাঙৰ কামত নিযুক্ত কৰিবলৈ ওলাইছে। কার্যটো হৈছে শিৱৰ সমাধি ভংগ কৰি তেওঁক পার্বতীৰ প্রতি আকৃষ্ট কৰা। কাৰণ, শিৱ-পার্বতীৰ পুত্রইহে দেৱতাসকলক তাৰকাসুৰৰ পৰা ৰক্ষা কৰিব। যিদৰে ভগৱান বিষ্ণুৱে শেষনাগৰ শক্তিসম্বন্ধে জানিয়েই অর্থাৎ পৃথিৱী ধাৰণৰ ক্ষমতা জানিয়েই তেওঁৰ দেহৰ ভাৰধাৰণ কৰিবলৈ আদেশ দিয়া হৈছিল। কাৰণ দেৱতাসকলে জয়লাভৰ বাবে মহাদেৱৰ বীর্যসম্ভূত এজন দেৱসেনাপতি কামনা কৰিছে। সেইবাবেই দেৱৰাজ ইন্দ্রই কামদেৱক মহাদেৱৰ তপস্যা ভংগ কৰিবলৈ আদেশ দিলে।

(ঙ) তদ্‌গচ্ছ সিদ্ধ্যৈ কুৰুদেৱকার্য্যমর্থোহয়মর্থান্তৰভাব্য এৱ।
অপেক্ষতে প্রত্যয়মুত্তমং ত্বাং বীজাঙ্কুৰঃ প্রাগুদয়াদিবাম্ভঃ।।১৮।।

দেৱতাসকলক অসু�ৰবিলাকে সততে উৎপীড়ন কৰিছিল। অসুৰবিলাকৰ এনে অত্যাচাৰৰ বাবে দেৱতাসকলে তেওঁলোকৰ নিত্য নৈমিত্তিক কার্যসমূহ সুচাৰুৰূপে সম্পাদন কৰিব নোৱাৰিছিল। সেয়েহে দেৱৰাজ ইন্দ্রই সমাধানৰ উপায় বিচাৰিছিল। ব্রহ্মাই ইন্দ্রক এইবুলি উপদেশ দিছিল যে মহাদেৱৰ ঔৰসত পার্বতীৰ গর্ভজাত সন্তানেহে দেৱতাসকলক অসুৰবিলাকৰ বিৰুদ্ধে ৰক্ষা কৰিব পাৰিব। সেই সময়ত কিন্তু দেৱাদিদেৱ মহাদেৱ গভীৰ তপস্যাত নিমগ্ন হৈ আছিল। তেওঁৰ তপস্যা ভংগ কৰি পার্বতীৰ লগত তেওঁৰ বিবাহ কার্য সম্পাদন কৰি তেওঁলোকৰ পৰা সন্তান লাভ কৰাটো সহজ নাছিল। ইন্দ্রই কিন্তু জানিছিল যে কামদেৱৰ দ্বাৰাহে এই কার্য সম্ভৱ হ'ব। সেয়েহে কেতিয়াও কোনো কার্যৰ বাবে বিচাৰ নকৰা কামদেৱক ইন্দ্রই এখন বিশেষ সভা আহ্বান কৰি বিশেষ অনুগ্রহ দেখু�ৱাইছিল।

ইন্দ্রৰ অনুগ্রহ লাভ কৰি কামদেৱে ইন্দ্রৰ বাবে নিজৰ দেহৰ বিনিময়ত হ'লেও যিকোনো কাম কৰিবলৈ ইচ্ছা কৰিছিল আৰু সেয়েহে কথা প্রসংগতে ইন্দ্রই নোসোধাকৈয়ে বসন্তক সহায় হিচাবে লৈ মহাদেৱৰো তপস্যা ভংগ কৰিব পাৰিব বুলি কামদেৱে ব্যক্ত কৰিছিল— 'কুর্য্যাং হৰস্যাপি পিনাকপাণেঃ ধৈর্য্যচুতিং ...'। ইপ্সিত কার্যত নিজৰ শক্তি প্রকাশ কৰা কামদেৱক ইন্দ্রই মহাদেৱৰ তপস্যা কৰিবলৈ আৰু তাৰ দ্বাৰা দেৱতাসকলৰ কার্য অর্থাৎ দেৱকার্য সম্পন্ন কৰিবলৈ অনুৰোধ জনাইছিল। দেৱতাৰ কার্য যদিও এই কামটো অন্য এটা কামৰ দ্বাৰা সফল হোৱাৰ যোগ্য। যিদৰে গজালি ওলোৱাৰ আগতে গুটিয়ে পানীৰ বাবে অপেক্ষা কৰে ঠিক তেনেদৰে এই কামটোৱে কামদেৱকেই উত্তম কাৰণ ৰূপে অপেক্ষা কৰি আছে।

(চ) সুৱা ঃ সমভ্যর্থয়িতাৰ এ্ত কার্যত্রয়াণমপি পিষ্টপানাম্।
চাপেন তে কর্ম ন চাতিহিংস্রমহো বতাসি স্পৃহণীয়বীর্যঃ।। ২০।।

দেৱৰাজ ইন্দ্রই কামদেৱক মহাদেৱৰ তপস্যা ভংগ কৰি পার্বতীৰ সৈতে বিবাহ কৰাবলৈ আদেশ দিছিল। দেৱতাসকল কামদেৱৰ সন্মুখত অর্থী (ভিক্ষাৰী) আৰু কামটোও ত্রিলোকৰ মঙ্গলৰ কাৰণে আৰু কামদেৱৰ ধনুৰ দ্বাৰাইহে কামটো সম্পন্ন হ'ব। কিয়নো কামদেৱৰ ফুলৰ শৰ। য'ত মৃত্যুৰ আশংকা নাই। সেই কাৰণে এই াকমটো হিংগ্রত্ত নহয়। সেই কাৰণে কামদেৱৰ শক্তি স্পৃহনীয়। কাৰণ, দেৱতাসকলৰ বিজয়ৰ বাবে মহাদেৱৰ ওপৰত কামদেৱহে অস্ত্রৰ গতি আছে। গতিকে, কামদেৱৰ দ্বাৰাহে এই কর্ম সম্ভৱ হ'ব পাৰে। যিদৰে যাচক (দিওঁতা) সকলৰ পৰা অর্থীয়ে (ভিক্ষাৰীৰে) কোনো বস্তুত লাভ কৰাৰ আশা কৰি থাকে তেনেদৰে দেৱতাসকলেও কামদেৱৰ দ্বাৰা শিৱৰ তপস্যা ভংগ আৰু পার্বতীৰ সৈতে মিলন এই ফল আশা কৰি আছে. ইয়াত দেৱতাসকলক অর্থীৰ লগত তুলনা কৰিছে আৰু কামদেৱক যাচক বুলি কৈছে।



## ২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- 'কুমাৰসম্ভৱম্' মহাকাব্যৰ তৃতীয়সর্গ অর্থাৎ 'মদনদহন'ৰ সাৰংশ জানিব পাৰিলে।
- তৃতীয়সর্গৰ নামকৰণৰ তাৎপর্য জানিব পাৰিলে।
- তৃতীয়সর্গৰ শ্লোকসমূহৰ (১-২০) সংস্কৃত পাঠ অধ্যয়ন কৰিলে।
- শ্লোকসমূহৰ মূল পাঠৰ গদ্যৰূপৰ জ্ঞান লাভ কৰিলে।
- শ্লোকসমূহৰ শব্দৰ সংস্কৃত আৰু অসমীয়া অর্থ জানিব পাৰিলে। লগতে জটিল শব্দৰ বিশ্লেষণ জানিব পাৰিলে।
- শ্লোকসমূহৰ অসমীয়া অনুবাদো পঢ়িবলৈ পালে।
- সংক্ষিপ্তৰূপত শ্লোকসমূহৰ বিষয়বস্তুৰ জ্ঞান লাভ কৰিলে।
- শ্লোকসমূহৰ (১-২০) ব্যাকৰণগত টোকাৰ বিষয়ে জানিব পাৰিলে লগতে কেইটামান শ্লোকৰ ব্যাখ্যাৰ বিষয়ে জ্ঞান লাভ কৰিলে।



## ২.৯ অধিক জানিবলৈ

১) কালে, এম. আৰ. *কুমাৰসম্ভৱম্ অৱ কালিদাস* মতিলাল বানাৰসীদাস পাৱলিচাৰ্চ্ প্রাইভেট লিমিটেড, দিল্লী।

২) দেৱগোস্বামী, হৰমোহন, *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*, চন্দ্র প্রকাশ, গুৱাহাটী।

৩) বন্দোপাধ্যায়, ধীৰেন্দ্র নাথ *সংস্কৃত সাহিত্যেৰ ইতিহাস*। ৱেষ্টবেঙ্গল ষ্টেট, বুক বর্ড ১, বংকিম চ্যাটার্জী ষ্ট্রিট, কলকাতা-৭০০০৭৩।

৪) শর্মা, থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, চন্দ্র প্রকাশ, গুৱাহাটী।

৫) *সংস্কৃত সাহিত্য সম্ভাৰ* - খণ্ড-২, অনুবাদক সুৰাৰিমোহন মেন - ৩য় সর্গ।

৬) শইকীয়া বৰা, ইন্দিৰা- *কালিদাসকৃত কুমাৰসম্ভৱম্* প্রকাশিকা, পাণবজাৰ-গুৱাহাটী।



## ২.১০ অগ্রগতিৰ খতিয়ান

**১ নং প্রশ্নৰ উত্তৰঃ** ইন্দ্রৰ সহস্রচকু কামদেৱৰ ওপৰত পৰিছিল, কিয়নো তাৰকাসুৰক বধ কৰিবলৈ দেৱসেনাপতিৰ প্রয়োজন। সেই কাম কেৱল কামদেৱৰ দ্বাৰাহে সম্ভৱ হ'ব।

**২ নং প্রশ্নৰ উত্তৰঃ** সখা বসন্ত আৰু পত্নী ৰতি দেৱীক।

**৩ নং প্রশ্নৰ উত্তৰঃ** ম-গসমূহ আনন্দত মতলীয়া হৈ গছৰ সৰি পৰা শউকান পাতৰ ওপৰেদি দৌৰিবলৈ আৰম্ভ কৰিছিল। কুলি চৰায়ে সুমধুৰ কণ্ঠেৰে গীত গাইছিল, কৃষ্ণমৃগই মৃগীজনীক শিঙেৰে খজুৰাই দিছিল, চক্রবাক চৰায়ে মৃণালখণ্ড প্রিয়তমা পত্নীৰসৈতে একেলগে খাইছিল। এনেদৰে মহাদেৱৰ আশ্রমত থকা পশু-পক্ষী মাজত অকাল বসন্তৰ প্রভাৱ পৰিছিল।

**৪ নং প্রশ্নৰ উত্তৰঃ** মহাদেৱে সমাধি অৱস্থাত থাকোতে কামদেৱে কামবাণ নিক্ষেপ কৰোতে তেওঁৰ সমাধি ভংগ হৈছিল আৰু মনলৈ চঞ্চল ভাব আহিছিল। ইয়াৰ কাৰণ জানিবলৈ চাৰিওফালে চাই কামদেৱক দেখা পালে আৰু ক্রোধত কপালৰ তৃতীয় নেত্রেৰে (চকুৰে) কামদেৱক ভস্ম কৰে। কামদেৱক ভস্ম কৰা দেখি পত্নী ৰতি মূর্চ্ছা গৈছিল।

**৫ নং প্রশ্নৰ উত্তৰঃ** পার্বতীয়ে শিৱক স্বামী ৰূপে লাভ কৰিবলৈ ইচ্ছা কৰি শিৱৰ আশ্রমত উপস্তিত হৈ শিৱক পৰিচর্যা কৰিছিল।

**৬ নং প্রশ্নৰ উত্তৰঃ** দেৱৰাজ ইন্দ্রক।

**৭ নং প্রশ্নৰ উত্তৰঃ** দেৱৰাজ ইন্দ্রক।

**৮ নং প্রশ্নৰ উত্তৰঃ** দেৱতাৰ শত্রু অর্থাৎ তাৰকাসুৰক বুজাইছে।

**৯ নং প্রশ্নৰ উত্তৰঃ** বজ্র।

**১০ নং প্রশ্নৰ উত্তৰঃ** শিৱৰ আন এটা নাম।

**১১ নং প্রশ্নৰ উত্তৰঃ** জগত, ভুৱন।

**১২ নং প্রশ্নৰ উত্তৰঃ** আদৰ বা স্নেহ।

**১৩ নং প্রশ্নৰ উত্তৰঃ** অৱ + ই (গতৌ) + লট্ মি।

**১৪ নং প্রশ্নৰ উত্তৰঃ** হিমালয়।



## ২.১১ আৰ্হি প্রশ্ন

**ক) বস্তুধর্মী প্রশ্ন** (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ঃ** কুমাৰসম্ভৱ মহাকাব্যৰ তৃতীয় সর্গৰ নামাকৰণৰ তাৎপর্য সংক্ষেপে লিখক।

**খ) চুটি প্রশ্ন** (১৫০ টা শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ঃ** কুমাৰসম্ভৱ মহাকাব্যৰ তৃতীয় সর্গৰ সাৰাংশ লিখক।

**গ) ৰচনাধর্মী প্রশ্ন** (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০ টা শব্দৰ ভিতৰত লিখক)

**প্রশ্ন ১ঃ** কুমাৰসম্ভৱৰ তৃতীয় সর্গত বর্ণিত ইন্দ্র আৰু কামদেৱৰ কথোপকথনৰ বর্ণনা দাঙি ধৰক।

**প্রশ্ন ২ঃ** ‘তস্মিন্নখোনত্রিদশাম্বিহায় সহস্রমক্ষ্ণাং যুগপত্পপাত।
‘তস্মিন্নপেক্ষিতয়া প্রভূণাং প্রায়শ্চলং গৌৰবমাশ্রিতেষু।।’
ওপৰোক্তা শ্লোকটোৰ ভাৱ বহলাই লিখক।

*** ***** ***